সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩১ বছৰৰ এক অবিৰত যাত্ৰা...
গুৱাহাটীৰ পৰা প্ৰকাশিত নিভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved
Postal Redg. No. GH- 098/2012-17
৩১ বছৰ,৫১ সংখ্যা, ৫ পুহ, ৰবিবাৰ,১৪৩২ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪
RNI No.53883/94. GHY- 781025. Vol. 31: Issue No. 51 Date of Publication- 21 December 2025 Rs. 10.00/-

## প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্বোধন কৰিলে গোপীনাথ বৰদলৈ বিমানবন্দৰৰ নতুন টাৰ্মিনেল




ৰঙিলী বাৰ্ত্তাসেৱা- "লুইতৰে পাৰ জিলিকাই তুলিবলৈ আমি প্ৰতিজ্ঞাবদ্ধ, আমি সংকল্পবদ্ধ । লুইতৰ পাৰ জিলিকি উঠিব। এইটো আমাৰ প্ৰতিজ্ঞা।" এই মন্তব্য প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ। অসমৰ আন্তঃগাঁথনি উন্নয়নৰ এক উল্লেখযোগ্য মাইলৰ খুঁটি হিচাপে দেশত বিমান, বাণিজ্য আৰু পৰ্যটন ক্ষেত্ৰত উত্তৰ-পূবৰ ক্ৰমবৰ্ধমান ভূমিকাক শক্তিশালী কৰি তোলাৰ লক্ষ্যৰে শনিবাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্বোধন কৰিলে গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ নতুন টাৰ্মিনেল। টাৰ্মিনেল উদ্বোধন কৰিয়েই প্ৰধানমন্ত্ৰী মোদীৰ ঘোষণা- অসমত এতিয়া চলিছে বিকাশৰ উৎসৱ। দেশৰ উন্নয়নৰ প্ৰৱেশদ্বাৰ হৈ পৰিছে অসম। প্ৰধানমন্ত্ৰী মোদীয়ে কয়- অসমৰ সৈতে মোৰ সম্পৰ্ক পুৰণি আৰু মধুৰ। অসমৰ ভাষা-সংস্কৃতি, আইসকলৰ মৰমে সকলো সময়তে মোক উৎসাহ যোগাই আহিছে। উত্তৰ-পূবৰ বিকাশৰ আমাৰ যি সংকল্প, সেই সংকল্পত শক্তি যোগাই আহিছে। অসমৰ বিকাশত আজি এক পুনৰ নতুন অধ্যায়ৰ সংযোজন হ'ল। উল্লেখ্য যে বায়ুসেনাৰ বিশেষ বিমানেৰে দুদিনীয়া ভ্ৰমণসূচীৰে শনিবাৰে বিয়লি গুৱাহাটীত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিমানবন্দৰৰ সমীপতে প্ৰায় ৮০ ফুট ওখ লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ এক বিশাল প্ৰতিমূৰ্তি উন্মোচন কৰাৰ লগতে আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰটোৰ নতুন টাৰ্মিনেল ভৱনটোও মুকলি কৰে।এই উপলক্ষে আয়োজিত এক বিশাল জনসভাক সম্বোধি প্ৰধানমন্ত্ৰী মোদীয়ে কয়- উত্তৰ-পূবৰ বিকাশৰ সৈতে সংগতি ৰাখি মুকলি কৰা এই নতুন টাৰ্মিনেল ভৱনে উন্নয়নৰ বাৰ্তা কঢ়িওৱাৰ লগতে ভাৰত চৰকাৰৰ এক্ট-ইষ্ট নীতিক আগুৱাই নিব আৰু দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ বজাৰৰ সৈতে সংযোগ স্থাপন কৰাৰ ক্ষেত্ৰত গুৱাহাটী হ'ব এক কেন্দ্ৰ। ইয়াৰ পূৰ্বে অসমীয়াতে

( দুই পৃষ্ঠাত চাওক)

## নতুন টাৰ্মিনেল ভৱনৰ সমীপত নিৰ্মাণ কৰা হ'ব এৰ' হাবঃমুখ্যমন্ত্ৰী




ৰঙিলী বাৰ্ত্তাসেৱা- দুদিনীয়া ভ্ৰমণসূচীৰে শনিবাৰে অসমত উপস্থিত হৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ নৱনিৰ্মিত নতুন টাৰ্মিনেলৰ শুভ উদ্বোধন কৰে। নতুন টাৰ্মিনেলৰ সন্মুখভাগত স্থাপন কৰা ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ এটা পূৰ্ণাবয়ব প্ৰতিমূৰ্তিও প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আনুষ্ঠানিকভাৱে উন্মোচন কৰে। এই উপলক্ষে নতুন টাৰ্মিনেলৰ সমীপত আয়োজিত এক বিশাল জনসভাত ভাষণ দি মুখ্যমন্ত্ৰী ড° শমাই কয়- অসমৰ লগতে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বাবে আজি এক ঐতিহাসিক আৰু গৌৰৱৰ দিন। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজ্যৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী, যুগনায়ক, ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ প্ৰতিমূৰ্তি উন্মোচন

( দহ পৃষ্ঠাত চাওক)

## বাজপেয়ী ভৱনত দলৰ কৰ্মীৰ সৈতে মত-বিনিময় প্ৰধানমন্ত্ৰী মোদীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- দুদিনীয়া ভ্ৰমণসূচীৰে অসমত উপস্থিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। সৰুসজাইৰ পৰা এক বৃহৎ ৰোডশ্ব'ৰ নেতৃত্ব দি মহানগৰীৰ বশিষ্ঠস্থিত বাজপেয়ী ভৱনত প্ৰথমবাৰৰ বাবে উপস্থিত হয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। প্ৰথমবাৰৰ বাবে ৰাজ্যিক বিজেপিৰ কাৰ্যালয়ত এগৰাকী প্ৰধানমন্ত্ৰী উপস্থিত হোৱাক লৈ শাসকীয় দলটোৰ কাৰ্যকৰ্তাৰ মাজত পৰিলক্ষিত হ'ল ব্যাপক উৎসাহ। ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত প্ৰধানমন্ত্ৰী মোদীক সভাপতি দিলীপ শইকীয়াকে ধৰি দলীয় শীৰ্ষ বিষয়াসকলে উষ্ম আদৰণি জনায়। উল্লেখ্য যে বিধানসভা নিৰ্বাচনৰ প্ৰাক্ষণত প্ৰধানমন্ত্ৰীৰ এই আগমনক গুৰুত্বসহকাৰে গ্ৰহণ কৰি ৰাজ্যিক বিজেপিয়ে অনুষ্ঠিত কৰিলে এক বিশেষ বৈঠক। দলৰ ৩৯খন সাংগঠনিক জিলাৰ সভাপতি আৰু জিলা প্ৰভাৰীৰ উপস্থিতিত অনুষ্ঠিত এই বৈঠকত উপস্থিত থাকিল মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, পৱিত্ৰ মাৰ্ঘেৰিটা, সভাপতি দিলীপ শইকীয়া, সাংগঠনিক সাধাৰণ সম্পাদক ৰবীন্দ্ৰ ৰাজু, ৰাজ্যিক প্ৰভাৰী হৰিশ দ্বিবেদী, কেন্দ্ৰীয় নেতা সম্বিত পাত্ৰ, কামাখ্যা প্ৰসাদ

( দহ পৃষ্ঠাত চাওক)

## বাংলাদেশত হিন্দু যুৱকক হত্যা কৰি জ্বলালে মৃতদেহ



ৰঙিলী বাৰ্ত্তাসেৱা- বাংলাদেশত পুনৰ আৰম্ভ হৈছে সংখ্যালঘুৰ ওপৰত নিৰ্যাতন। বৃহস্পতিবাৰে নিশা দেশখনৰ মৈমনসিং চহৰত এজন হিন্দু যুৱকক মৰিয়াই মৰিয়াই হত্যা কৰে এদল উন্মত্ত জনতাই। এজোপা গছত বান্ধি লৈ অত্যাচাৰ কৰা যুৱকজনৰ মৃতদেহটো পিছত তেওঁলোকে জ্বলাই দিয়ে। প্ৰাপ্ত তথ্য অনুসৰি, এই ঘটনাটো বৃহস্পতিবাৰে নিশা ময়মনসিংহ জিলাৰ ভলুকা উপজিলাৰ অন্তৰ্গত স্কোৱাৰ মাষ্টাৰ বাৰীৰ ডুবালিয়া পাৰা অঞ্চলত সংঘটিত হয়। নিহত যুৱকজন ২৫ বছৰীয়া দিপু চন্দ্ৰ দাস বুলি চিনাক্ত কৰা হৈছে। তেওঁ স্থানীয় এটা গাৰ্মেণ্ট ফেক্টৰীত শ্ৰমিক হিচাপে কাম কৰিছিল আৰু সেই অঞ্চলতে ভাড়াতীয়া হিচাপে বাস কৰিছিল। প্ৰত্যক্ষদৰ্শী আৰু আৰক্ষীৰ সূত্ৰই

( নপৃষ্ঠাত চাওক)

# বৰঝাৰৰ পৰা বাজপেয়ী ভৱনলৈ বিশাল ৰোড শ্ব'ৰে প্ৰধানমন্ত্ৰীক আদৰণি

ৰঙিলী বাৰ্তাসেৱা- দুদিনীয়া কাৰ্যসূচীৰে গুৱাহাটীত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ওচৰৰ পৰা চাবলৈ ৰাষ্ট্ৰীয় ঘাইপথত পৰিলক্ষিত হ'ল বিশাল জনসমাগম। শনিবাৰে বিয়লি ২.৪০ বজাত বায়ুসেনাৰ বিশেষ বিমানেৰে গুৱাহাটীৰ বিমানবন্দৰত উপস্থিত হোৱাৰ লগে লগে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰধানমন্ত্ৰী মোদীক উষ্ম আদৰণি জনায়। ইয়াৰ পিছতে প্ৰধানমন্ত্ৰীগৰাকীয়ে লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ নতুন টাৰ্মিনেল ভৱন উদ্বোধন আৰু জনসভাত অংশগ্ৰহণৰ পাছত বশিষ্ঠস্থিত বাজপেয়ী ভৱনলৈ অহাৰ সময়তে বিশাল ৰোড শ্ব'ৰে ৰাজ্যিক বিজেপিৰ যুৱ মৰ্চাই প্ৰধানমন্ত্ৰী মোদীক আদৰণি জনালে । বিমানবন্দৰৰ পৰা বিশাল ৰোড শ্ব'ৰে বাজপেয়ী ভৱনলৈ অহা প্ৰধানমন্ত্ৰীক প্ৰত্যক্ষ কৰাৰ বাবে পথৰ কাষত পৰিলক্ষিত হ'ল হাজাৰ হাজাৰ লোকৰ উপস্থিতি। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰীগৰাকীক বিমানবন্দৰত থলুৱা নৃত্য-গীতেৰে আদৰণি জনোৱা হ'ল। জনগোষ্ঠীয় নৃত্য-গীতৰ লগতে পৰম্পৰাগত সাজ-পোছাকেৰে প্ৰধানমন্ত্ৰীক আদৰণি জনায় সহস্ৰাধিক শিল্পীৰ দলে। আনহাতে বিমানবন্দৰৰ উদ্বোধনী অনুষ্ঠান আৰু ৰাজহুৱা সভাৰ পাছতে বাজপেয়ী ভৱনলৈ অহা প্ৰধানমন্ত্ৰীক ওচৰৰ পৰা চাবলৈ দুপৰীয়া ১২ বজাৰ পৰাই পৰিলক্ষিত হ'ল বিশাল জনসমাগম। ৰাষ্ট্ৰীয় পতাকা, প্ৰধানমন্ত্ৰীজনৰ ফটোসম্বলিত



পৰ্ষ্টাৰেৰে নৰেন্দ্ৰ মোদী জিন্দাবাদ, ভাৰত মাতা কী জয় ধ্বনিৰে অভিবাদন জনায়। প্ৰধানমন্ত্ৰীগৰাকীৰ আগমনৰ লগে লগে সমৰ্থকসকল উচ্ছ্বসিত হৈ (দহ পৃষ্ঠাত চাওক)

# প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্বোধন

ভাষণ আৰম্ভ কৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসমীয়াতে কয়- ৰাইজলৈ মোৰ শ্ৰদ্ধা আৰু মৰম যাচিছোঁ। অসমবাসীক প্ৰাৰ্থনা জনাই প্ৰধানমন্ত্ৰী মোদীয়ে কয়- আজিৰ এই শুভক্ষণ বিকাশৰ উৎসৱৰ দিন। এয়া কেৱল অসমৰেই নহয়, সমগ্ৰ উত্তৰ-পূবৰ বাবে আজিৰ দিনটো বিকাশৰ উৎসৱৰ দিন। সেয়েহে আপোনালোকে নিজৰ ম'বাইল ফোনৰ লাইট জ্বলাই এই বিকাশৰ উৎসৱত ভাগ লওক। আনহাতে ভাষণত কংগ্ৰেছক তীব্ৰ ভাষাৰে সমালোচনা কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়- কংগ্ৰেছ চৰকাৰসমূহৰ বাবেই অসম তথা উত্তৰ পূৰৰ বিকাশ তেওঁলোকৰ এজেণ্ডাতেই নাছিল। কংগ্ৰেছৰ চৰকাৰসমূহৰ ধাৰণা আছিল অসম তথা উত্তৰ-পূবলৈ কোন যায়? অসমত অত্যাধুনিক বিমানবন্দৰ, ৰাষ্ট্ৰীয় ঘাইপথ, ৰে'লৰ সংযোগৰ প্ৰয়োজন কি? এই ধাৰণা তথা চিন্তাৰ বাবেই কংগ্ৰেছে দশক দশক ধৰি অসম তথা উত্তৰ-পূবক অৱহেলা কৰি আহিছিল। কংগ্ৰেছে ৬-৭টা দশক ধৰি অসম তথা উত্তৰ-পূবক লৈ যি ভুল কৰিছিল, সেই ভুলৰ শুধৰণি মোদী চৰকাৰে কৰি আছে। মোদীয়ে কয়- কংগ্ৰেছ উত্তৰ-পূবলৈ আহক বা নাহক, মই আহিম। অসমলৈ আহি মোৰ আপোন যেন অনুভৱ হয়। মোদীৰ বাবে অসমৰ বিকাশ একমাত্ৰ প্ৰয়োজনেই নহয়, এয়া দায়িত্বও। সেয়েহে যোৱা ১১ বছৰে অসম আৰু উত্তৰ-পূবৰ বাবে লাখ কোটি টকাৰ প্ৰকল্পৰ ৰূপায়ণ কৰা হৈছে। আজি অসম আগলৈ আগবাঢ়িছে আৰু নতুন কীৰ্তিমানো স্থাপন কৰিবলৈ সক্ষম হৈছে। অসম তথা উত্তৰ-পূবক উন্নয়নৰ পৰা আঁতৰাই ৰখাৰ বাবে পূৰ্বৰ কংগ্ৰেছ চৰকাৰক সমালোচনা কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়- কংগ্ৰেছৰ সময়ছোৱাৰ অধিকাংশ দিন হিংসাই সমগ্ৰ উত্তৰ-পূবক থানবান কৰিছিল। যোৱা ১১ বছৰত এই পৰিস্থিতিৰ অৱসান ঘটোৱা হৈছে। এসময়ত উত্তৰ-পূবত হিংসা-ৰক্তপাতৰ যি প্ৰকোপ আছিল, সেই স্থানত আজি ৪জি-৫জি প্ৰযুক্তিৰ জৰিয়তে ডিজিটেল সংযোগ ঘটি অৰ্থনৈতিক উন্নয়ন হৈছে। এসময়ত হিংসা প্ৰভাৱিত বুলি গণ্য কৰা জিলাসমূহ এতিয়া আকাংক্ষিত জিলা হিচাপে গঢ় লৈ উঠিছে আৰু অনাগত সময়ত সেই অঞ্চলসমূহেই ঔদ্যোগিক কৰিড'ৰ হিচাপে পৰিণত হ'ব। প্ৰধানমন্ত্ৰীয়ে উত্তৰ-পূব সন্দৰ্ভত এক নতুন আত্মবিশ্বাসৰ সৃষ্টি হোৱা বুলি উল্লেখ কৰি ইয়াক অধিক শক্তিশালী কৰাৰ প্ৰয়োজন আছে বুলি মন্তব্য কৰে। ভাষণ প্ৰসংগত প্ৰধানমন্ত্ৰীয়ে অসম বিভাজনৰ প্ৰসংগ উত্থাপন কৰি কয়- স্বাধীনৰ সময়তে কংগ্ৰেছে ধৰ্মীয় তুষ্টিকৰণৰ জৰিয়তে ভোটবেংক সম্প্ৰসাৰণৰ ষড়যন্ত্ৰ কৰিছিল, বংগ আৰু অসমত অনুপ্ৰৱেশকাৰীক কমুক্ত প্ৰৱেশৰ সুবিধা দিছিল। যাৰ বাবে আজি সমগ্ৰ অঞ্চলটোত জনগাঁথনিৰ পৰিৱৰ্তন ঘটিছে আৰু এই অনুপ্ৰৱেশকাৰীসকলে বনাঞ্চলৰ ভূমি দখল কৰিছে। ইয়াৰ ফলস্বৰূপে সমগ্ৰ অসমৰ নিৰাপত্তা তথা পৰিচয়লৈ নামি আহিছে ভাবুকি। এনে ভাবুকিক প্ৰত্যাহ্বান জনাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম চৰকাৰখনে সাহসেৰে থিয় দিয়া বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়- ৰাজ্য চৰকাৰখনে বেদখলৰ পৰা অসমৰ সম্পদ মুক্ত কৰাৰ বাবে অহৰ্নিশে কাম কৰি আছে। কেন্দ্ৰীয় চৰকাৰেও অনুপ্ৰৱেশ বন্ধ কৰাৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে আৰু অবৈধ অনুপ্ৰৱেশকাৰীক খেদি পঠিওৱাৰ লগতে চিনাক্তকৰণৰ প্ৰক্ৰিয়াও চলাই আছে। ইয়াৰ পূৰ্বে লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত নতুন টাৰ্মিনেল ভৱন উদ্বোধন কৰি দিয়া ভাষণত প্ৰধানমন্ত্ৰীয়ে ভাৰতৰত্ন ভূপেন হাজৰিকাৰ এটা গীতৰ কলি আওৰাই কয়- ভাৰতৰত্ন ভূপেন হাজৰিকাৰ গীতৰ পংক্তিয়ে সদায়ে সঠিক পথ দেখুৱায়। 'লুইতৰ পাৰ জিলিকাই তুলিবলৈ আমি প্ৰতিশ্ৰুতিবদ্ধ, আমি সংকল্পবদ্ধ।' ইয়াৰ অৰ্থ ব্ৰহ্মপুত্ৰ নদীৰ পাৰ জিলিকি উঠিব, এন্ধাৰৰ প্ৰতিখন দেৱাল ভাঙি যাব আৰু এয়া নিশ্চয় হ'ব। কাৰণ ই দেশৰ সংকল্প তথা গভীৰ প্ৰতিজ্ঞা। সুধাকণ্ঠৰ গীতৰ কলিবোৰ কেৱল গীত নহয়, বৰঞ্চ অসমক ভাল পোৱা প্ৰতিগৰাকী মহান আত্মাৰ গভীৰ সংকল্প। আজি এই সংকল্প পূৰণ হৈছে। ব্ৰহ্মপুত্ৰৰ প্ৰচণ্ড সোঁত যেনেকৈ ৰুদ্ধ কৰিব নোৱাৰি, ঠিক তেনেদৰে কেন্দ্ৰ আৰু ৰাজ্যত বিজেপি চৰকাৰৰ নেতৃত্বত চলি থকা অসমৰ উন্নয়নৰ ধাৰাও নিৰৱচ্ছিন্ন অব্যাহত থাকিব। গোপীনাথ বৰদলৈ বিমানবন্দৰৰ নতুন টাৰ্মিনেল উদ্বোধনী এই প্ৰতিশ্ৰুতিৰ প্ৰমাণ। নতুন বিমান টাৰ্মিনেল ভৱনৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়- এই টাৰ্মিনেল ভৱনৰ জৰিয়তে গুৱাহাটী তথা অসমৰ দক্ষতা অধিক বৃদ্ধি পাব। এই টাৰ্মিনেলত বছৰি ১.২৫ কোটিকৈও অধিক যাত্ৰীয়ে যাত্ৰা কৰিব পাৰিব। ইয়াৰ দ্বাৰা বৃহৎসংখ্যক পৰ্যটকৰ অসম ভ্ৰমণৰ সুবিধা হ'ব। প্ৰধানমন্ত্ৰীয়ে কয়- এই নতুন বিমানবন্দৰৰ টাৰ্মিনেলত ভৰি দিলেই ঐতিহ্যৰ লগতে উন্নয়নৰ মন্ত্ৰৰ প্ৰকৃত অৰ্থ স্পষ্টভাৱে প্ৰতিফলিত হয়। বিমানবন্দৰটো অসমৰ প্ৰকৃতি আৰু সংস্কৃতিৰ প্ৰতি লক্ষ্য ৰাখি ডিজাইন কৰা হৈছে, সেউজীয়া আৰু অৰণ্যৰ দৰে পৰিৱেশ ৰচনা কৰা হৈছে। টাৰ্মিনেলটোৰ নিৰ্মাণত বাঁহৰ বিশেষ ব্যৱহাৰ হোৱাৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়- বাঁহ অসমৰ জাতীয় জীৱনৰ এক অবিচ্ছেদ্য অংগ। শক্তি আৰু সৌন্দৰ্যৰ প্ৰতীক হিচাপে বাঁহক উপস্থাপন কৰা হয়। ২০১৭চনত এক বিশেষ পদক্ষেপৰ জৰিয়তে ভাৰতীয় বন আইন সংশোধন কৰি অবনাঞ্চলত উৎপাদিত বাঁহৰ গছৰ পৰিৱৰ্তে ঘাঁ হিচাপে পুনৰ শ্ৰেণীভুক্ত কৰা হৈছে। এই পদক্ষেপৰ ফলতে আজি নতুন টাৰ্মিনেলত বাঁহে এক সুন্দৰ গাঁথনি সৃষ্টি কৰিছে। এই উদ্বোধনী অনুষ্ঠানত প্ৰধানমন্ত্ৰীক সংগ দিয়ে অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, কে ৰামমোহন নাইডু, মুৰুলীধৰ মহল, পবিত্ৰ মাৰ্ঘেৰিটাকে ধৰি কেইবাজনো ৰাজনৈতিক নেতাই। ভাষণৰ পূৰ্বে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সোণখচিত, মুগা সূতাৰে নিৰ্মিত লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ ফটো এখন উপহাৰস্বৰূপে আগবঢ়ায়।

সম্পাদকীয় শিতান... দেৱাশীষ গোস্বামী, নগাঁও

# তললৈ, আৰু তললৈ... পিচে আৰু কিমান তললৈ ?

তললৈ (downwards)নে ওপৰলৈ (upwards) পোনপটিয়া প্ৰশ্ন এটা যদি আমাক কোনোবাই কৰে, গৰিষ্ঠ সংখ্যকে ওপৰলৈ (upwards)option টো য়েই select কৰিব নহয়নে বাৰু? আমাক সকলোতে prograss লাগে অৰ্থাৎ উন্নতি লাগে মানে উন্নতি নামৰ জখলাডালত উঠি পাৰোমানে ওপৰলৈ বগাই যোৱাৰ হেপাঁহ আমাৰ ।

তাৰ বিপৰীতে সুউচ্চ Building, পাহাৰ, পৰ্বত, গছ-গছনি ইত্যাদিত আৰোহণ কৰি উঠি আমাৰ গতানুগতিক জীৱন ধাৰণৰ বাবে তললৈ আমি নামিবই লাগিব। ই এক স্বাভাৱিক প্ৰক্ৰিয়া।

এতিয়া আহোঁ আজিৰ শিৰোনামাৰ অন্তৰ্নিহিত উদ্দেশ্য বা অৰ্থলৈ। আমাৰ সমাজ খন বিভিন্ন চাৰিত্ৰিক বৈশিষ্টৰ সমাহাৰ। বিভিন্ন ধৰণৰ ব্যক্তিৰ পৰিবেষ্টিনত আমিবোৰ। জনা বুজা হোৱাৰে পৰা বিভিন্ন চাৰিত্ৰিক বৈশিষ্টৰে পৰিপূৰ্ণ এই সমাজ খনেই আমাৰ আপোন। মা-দেউতা, পৰিয়াল তথা শিক্ষাগুৰুসকলৰ পৰা পোৱা নানা শিক্ষা দীক্ষা, জীৱন গঢ়াৰ গুৰু মন্ত্ৰৰে আমিবোৰ লালিত পালিত হওঁ। সময়ত গৈ তেওঁলোকৰ পৰা পোৱা উপযুক্ত শিক্ষা তথা গুৰু মন্ত্ৰৰে আমাৰ জীৱন গঢ়ো। অতীজৰে পৰা আমাৰ দৃঢ় বিশ্বাস যে নিজৰ সন্তানক কোনো মাক-দেউতাকে, নিজৰ শিষ্যক কোনো গুৰুৱে অবাটে যাবলৈ, সুস্থ সমাজ এখন ধ্বংস কৰি মানুহহৈ জন্ম লভাৰ গৰ্ব কণ খৰ্ব কৰি, অস্থিৰ সমাজ এখন সৃষ্টি কৰি, নিজৰ লগতে মা-দেউতাক তথা শিক্ষাগুৰুসকলক, সমাজ খনৰ লগতে দেশখনকো নিকৃষ্ট চিন্তাধাৰা তথা কৰ্মৰে লজ্জানত কৰি, শিৰণত কৰি জীৱন জিওৱাৰ পাঠ কেতিয়াও প্ৰদান নকৰে। তেনেস্থলত আমাৰ সমাজখনক ৰঘুমলাই শিপোৱাদি শিপাইছে এনে এচাম নিকৃষ্ট চৰিত্ৰৰ, কৰ্ম-কাণ্ডৰ মানুহৰ নামত কলংক কিছুমানে যাৰ বিষবাষ্পই শান্ত, সুন্দৰ, সুস্থিৰ সমাজ এখন নিমিষতে অশান্ত, অস্থিৰ কৰি তোলে।

মুঠতে আমাৰ সমাজ খনত ভব্য-গব্য, ভদ্ৰতাৰ মুখা পিন্ধা অসংখ্য ব্যক্তিৰ পয়োভৰ। অতিকৈ হাস্যকৰ বিষয়তো হ'ল লোভ, মোহ তথা Negative জেদৰ বশৱৰ্তী হৈ কৰা কৰ্মকাণ্ড যি আমাৰ চকু কপালত তোলে।

'Interestingly, maximum of them, belongs to a Royal Family'. অভাৱৰ 'অ' টোৰেও পিড়ীত নহয় তেওঁলোক। এটা 'Lobby' সৃষ্টি কৰি, অন্ধ অনুৰাগীৰে লগ লাগি, সমাজ এখন অস্থিৰ কৰি, নৱপ্ৰজন্মক পংগু কৰি কলংকিত একো একোজন নায়ক (?) হৈ সমাজখনক অবাটে পৰিচালিত কৰি একো একোটা পৰিয়াল, একোখন দেশ ধ্বংস কৰাত সিদ্ধহস্ত লাহ-বিলাসিতাৰে জীৱন যাপন কৰা, ভদ্ৰতাৰ মুখাধাৰী সমাজৰ ভব্য-গব্য এই ব্যক্তি সকল।

নিজৰ নগ্ন স্বৰূপ উদঙাই, নানা 'Branded' কাপোৰ পিন্ধি বুকু ফিন্দাই চকুৰ সমুখেৰে যেতিয়া এই সকল পাৰ হৈ যায়, কেনে অনুভৱ হয় বাৰু? খং উঠে? লাজ লাগে? ঘৃণা উপজে? পুতৌ উপজে? নে—?

নৰকতো স্থান নোপোৱা, ধিক এনে মনুষ্য জীৱন। এনেকুৱাতে গুণগুণাবলৈ মন যায় ভূপেন হাজৰিকাদেৱৰ কালজয়ী গীতৰ এটি কলি- 'চহৰৰ উচ্চ অট্টালিকা, তুমি নাগৰিক অহংকাৰী'।

তললৈ...
আৰু কিমান তললৈ
আমিবোৰ?

# কামপুৰত ৰাজধানী এক্সপ্ৰেছৰ খুন্দাত ৭ বন্যহস্তীৰ মৃত্যু




ৰঙিলী বাৰ্ত্তাসেৱা-নগাঁও জিলাৰ কামপুৰত সংঘটিত এক ভয়ংকৰ পথ দুঘটনাই ৰাজ্যজুৰি এক শোকাবহ পৰিস্থিতিৰ সৃষ্টি কৰিছে। নগাঁও জিলাৰ কামপুৰ-যমুনামুখৰ মাজৰ চানজুৰাইৰ ৰে'লপথত দিল্লী অভিমুখী নামনিমুৰা ২০৫০৭ নম্বৰৰ ৰাজধানী এক্সপ্ৰেছৰ তীব্ৰ খুন্দাত শনিবাৰে পুৱতিনিশা প্ৰায় আঢ়ে বজাত ৭টা বন্যহস্তীৰ কৰুণ মৃত্যু ঘটে। দুৰ্ঘটনাটোত ৰাজধানী এক্সপ্ৰেছৰ পাঁচটা দবাও লাইনচ্যুত হয় যদিও কোনো যাত্ৰী হতাহত হোৱা নাই। নামনিমুৰা ৰাজধানী এক্সপ্ৰেছৰ খুন্দাত সাতটাকৈ বন্যহস্তীৰ কৰুণ মৃত্যু হোৱা ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ঘটনা সন্দৰ্ভত জানিব পৰা মতে, পুৱতিনিশা এটা বৃহৎ বন্যহস্তীৰ জাকে ৰে'লপথটো অতিক্ৰম কৰাৰ সময়তে এই হৃদয়বিদাৰক দুৰ্ঘটনাটো সংঘটিত হয়। মৃত হাতীকেইটাৰ ভিতৰত দুটা দঁতাল হাতী আৰু পাঁচটা মাইকী হাতী আছিল। এই মাইকী হাতীকেইটাৰ এটা হাতী গৰ্ভৱতী আছিল বুলি জানিব পৰা গৈছে। আনহাতে ৰে'লৰ খুন্দাত এটা হাতীৰ পোৱালিও আহত হয়। আহত হোৱা হাতীৰ পোৱালীটোক প্ৰাথমিক চিকিৎসা কৰাৰ পিছত কাজিৰঙালৈ প্ৰেৰণ কৰা হৈছে আৰু বৰ্তমান সুস্থিৰ অৱস্থাত আছে। ঘটনাটো ইমানেই ভয়াৱহ আছিল যে প্ৰায় পাঁচশ মিটাৰ দূৰলৈকে চোঁচৰাই লৈ যায় হাতীৰ মৃত শৰীৰকেইটা। পাঁচশ মিটাৰ দূৰত গৈ লাইনচ্যুত হয় ৰাজধানীৰ এক্সপ্ৰেছৰ দবা আৰু ইঞ্জিন। বন্যহস্তীৰ কৰুণ মৃত্যু ঘটা ঘটনাৰ পাছত বন বিভাগৰ লগতে ৰে'ল বিভাগৰ বিৰুদ্ধেসৰৱ হৈ পৰিছে স্থানীয় ৰাইজৰ লগতে বিভিন্ন দল-সংগঠন। স্থানীয় ৰাইজৰ ভাষ্য হ'ল-আগতেও পটিয়াপামত ৰে'লপথত এনেকৈ বন্যপ্ৰাণীৰ মৃত্যু হৈছিল। তথাপি বন বিভাগ আৰু ৰে'ল বিভাগ সজাগ নহ'ল। যাৰ বাবে আজি পুনৰ সাতটা বন্যহস্তীৰ কৰুণ মৃত্যু হয়। বন বিভাগে ৰে'ল বিভাগক এইটো এলেকাৰে এতিয়া নিতৌ নিশা হাতী পাৰ হোৱাৰ বিষয়ে জনাব লাগিছিল। বন বিভাগৰ লোকে ভালকৈ নিজৰ কৰ্তব্য পালন নকৰিলে। যিহেতু ৰে'লপথেৰে এই ঠাইডোখৰত বন্যহস্তীৰ জাক পাৰ হয়, সেয়েহে ৰে'লৰ গতিবেগ নিয়ন্ত্ৰণ কৰা উচিত আছিল। ৰে'লৰ গতিবেগ তীব্ৰ (দহ পৃষ্ঠাত চাওক)

# টি-২০ বিশ্বকাপৰ বাবে ১৫জনীয়া ভাৰতীয় দল ঘোষণা



ৰঙিলী বাৰ্ত্তাসেৱা-সকলো জল্পনা-কল্পনাৰ অন্ত পেলাই ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ড চমুকৈ বি চি চি আয়ে শনিবাৰে ঘোষণা কৰিলে আগন্তুক টি-২০ বিশ্বকাপৰ বাবে ১৫ জনীয়া ভাৰতীয় দল। মুম্বাইস্থিত বিচিচিআইৰ মুখ্য কাৰ্যালয়ত বিচিচিআইৰ সম্পাদক দেৱজিৎ শইকীয়া, মুখ্য নিৰ্বাচক অজিত আগৰকাৰ আৰুটি-২০ দলটোৰ অধিনায়ক সূৰ্যকুমাৰ যাদৱৰ উপস্থিতিত এখন বৈঠক অনুষ্ঠিত হয়, য'ত সূৰ্যকুমাৰ যাদৱৰ নেতৃত্বত অহা বৰ্ষত হ'বলগীয়া টি-২০ বিশ্বকাপৰ বাবে ভাৰতীয় দলটো খেলুৱৈৰ নাম চূড়ান্ত কৰা হয়। ঘোষিত দলটোৰ পৰা বাদ পৰিছে টেষ্ট আৰু এদিনীয়া দলৰ অধিনায়ক শুভমন গিলৰ লগতে (দহ পৃষ্ঠাত চাওক)

## স্মৃতি তৰ্পণ

## সোণ চৰণ বৈশ্য



যদিও মৃত্যু অনিবাৰ্য, তথাপি সেয়া অপ্ৰত্যাশিত আছিল যেতিয়া আমাৰ 'দেউতা', অসম চৰকাৰৰ জনসংযোগ বিভাগৰ অৱসৰপ্ৰাপ্ত উপ-সঞ্চালক আৰু এগৰাকী সুপৰিচিত সমাজকৰ্মী, সাংস্কৃতিক সংগঠক, মইনা পাৰিজাতৰ প্ৰতিষ্ঠাপক সদস্য আৰু বৃহত্তৰ আহোমগাঁও জ্যেষ্ঠ নাগৰিক সন্থাৰ প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদক, সোণ চৰণ বৈশ্যই যোৱা ১০ ডিচেম্বৰত শেষ নিশ্বাস ত্যাগ কৰে। তেওঁৰ বয়স ছয়সত্তৰ বছৰ হৈছিল। দেউতাই হাইলাকান্দি, কৰিমগঞ্জ, বৰপেটা, ধুবুৰীকে ধৰি কেইবা স্থানত জিলা তথ্য আৰু জনসংযোগ বিষয়া হিচাপে কাম কৰি অৱশেষত গুৱাহাটীত উপ-সঞ্চালক হিচাপে অৱসৰ গ্ৰহণ কৰে। দেউতা আছিল মৃদুভাষী, বিতৰ্কহীন আৰু প্ৰগতিশীল বিশ্বাসেৰে সমাজ সেৱা কৰাৰ এক অটল আৱেগিক ব্যক্তি। 'নৱ-প্ৰভাত'ৰ উপদেষ্টা, 'অনুৰাগ' (এখন স্ব-প্ৰকাশিত বাৰ্ষিক আলোচনী)ৰ সম্পাদক, ধুবুৰী জিলা সমাজ সংঘৰ সদস্য, গুৱাহাটী আলোচনা চক্ৰৰ সদস্য, গুৱাহাটীৰ বাল্য ভৱনৰ সদস্য ইত্যাদিৰ জৰিয়তেই অসমৰ সাহিত্য, সংস্কৃতি আৰু অন্যান্য কলাত্মক অনুশীলনৰ বাবে এক পৰিৱেশ সৃষ্টি কৰা ব্যক্তি আছিল দেউতা। ৰাজহুৱা জীৱনৰ প্ৰতি তেওঁৰ সমৰ্পণৰ মনোভাব তেওঁৰ অন্তিম উশাহলৈকে বৰ্তী থাকিল। ভালেমান সাংস্কৃতিক আদান-প্ৰদান কাৰ্যসূচীৰ মাজেৰে দেউতা আৰু মই সৰুৰে পৰা ভাৰতৰ দিল্লী, লক্ষ্ণৌ, আগ্ৰা, কলিকতা, কটক আদি চহৰ ভ্ৰমণ কৰি আহিছোঁ। এতিয়াৰ পৰাই দেউতাৰ নিয়মীয়া ফোনকল আৰু হোৱাটছএপ মেছেজবোৰ আমি মিছ কৰিম, যিবোৰে আমাৰ চকুৰ পৰা আঁতৰত থাকিলেও দেউতাই আমাৰ কথা ভাবিছিল বুলি অহৰহ সোঁৱৰণী আছিল। দেউতাৰ অবৰ্তমানে সামাজিক-সাহিত্য-সাংস্কৃতিক ক্ষেত্ৰখনৰ লগতে আমাৰ পৰিয়ালৰ এক অপূৰণীয় ক্ষতি কৰিলে। তেওঁ পত্নীসহ, আমি দুই পুত্ৰ আৰু পৰিয়ালৰ আন অসংখ্য সদস্যক এৰি গৈছে। 'আদ'শ্ৰাদ্ধ'ৰ এই শুভদিনটোত তেওঁৰ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ। দেউতাৰ অনুপস্থিতি চিৰদিনৰ বাবে আমাৰ অনুভৱ হ'ব।

**ডঃ বিদ্যুৎ বিকাশ বৈশ্য**

# প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ অট'পছী ৰিপ'ৰ্টত ভয়ংকৰ তথ্য



ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ হত্যাকাণ্ড সন্দৰ্ভত এছআইটিয়ে বৃহৎ কলেবৰৰ অভিযোগনামা আদালতত দাখিল কৰাৰ পিছত শেহতীয়াকৈ ছিংগাপুৰৰ পৰা অহা অট'পছী প্ৰতিবেদনত পোহৰলৈ আহিছে বহু ভয়ংকৰ তথ্য। অট' পছী প্ৰতিবেদনৰ চৰ্চিত খবৰ অনুসৰি মৃত্যুৰ পূৰ্বে মাত্ৰাধিক সুৰা সেৱন কৰোৱা হৈছিল জুবিন গাৰ্গক। সুৰাৰ পৰিমাণ ইমানেই বেছি আছিল যে একপ্ৰকাৰ অচেতন হৈ পৰিছিল শিল্পীগৰাকী। ছিংগাপুৰ আৰক্ষীয়ে চিকিৎসালয়ত কৰা উক্ত পৰীক্ষাৰ তথ্য অনুসৰি জুবিন গাৰ্গৰ তেজ আৰু প্ৰস্ৰাৱৰ নমুনা পৰীক্ষা কৰা হৈছিল। তেজৰ নমুনাত প্ৰতি ডেচিলিটাৰত ৩৩৩ মিলিগ্ৰাম ইথানলৰ উপস্থিতি ধৰা পৰাৰ লগতে প্ৰস্ৰাৱৰ নমুনাতো একেধৰণে প্ৰতি ডেচিলিটাৰত ৩৬৯ মিলিগ্ৰাম ইথানলৰ উপস্থিতি চিকিৎসকে লাভ কৰিছিল। এই সন্দৰ্ভত বিশেষ সূত্ৰই সদৰী কৰা মতে সাধাৰণতে একোগৰাকী সুস্থ মানুহৰ দেহত প্ৰতি ডেচিলিটাৰত ৮০ মিলিগ্ৰাম বা ততোধিক সুৰাৰ উপস্থিতি যদিহে তেজত ধৰা পৰে, তেন্তে যান-বাহন আইন অনুসৰি উক্ত লোকজনক সুৰাসক্ত বুলি গণ্য কৰি জৰিমনা বিহাৰ নিয়ম আছে। একেদৰে ১৫০-২০০ মিলিগ্ৰাম প্ৰতি ডেচিলিটাৰ তেজত ধৰা পৰিলে সুৰাপান কৰা ব্যক্তিজনৰ দৃষ্টিশক্তি খুঁৱলী-কুঁৱলী হৈ পৰে। অৰ্থাৎ সম্পূৰ্ণ সংজ্ঞাহীন হোৱাৰ দিশে ব্যক্তিজন আগবাঢ়ে বুলি সূত্ৰটোৱে জানিবলৈ দিছে। জুবিন গাৰ্গৰ (নপৃষ্ঠাত চাওক)

# নগাঁৱৰ ধিঙত ত্ৰিপল মাৰ্ডাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- নগাঁও জিলাৰ ধিঙৰ কাছখাটিত সংঘটিত হৈছে এক চাঞ্চল্যকৰ ঘটনা। নগাঁও জিলাৰ ধিং থানাৰ অন্তৰ্গত শ'লগুৰি কাছকাটিত এক লোমহৰ্ষক আৰু শিহৰণকাৰী হত্যাকাণ্ড সংঘটিত হয়। এমদাদুল ইছলাম নামৰ এজন লোকে নিশা প্ৰায় এক বজাত নিজৰ ঘৰৰ শোৱনি কোঠাৰ ভিতৰতে পত্নী আৰু দুই কন্যাক কুঠাৰেৰে ঘপিয়াই ঘপিয়াই অতি নৃশংসভাৱে হত্যা কৰে। এই নৃশংস হত্যাকাণ্ডই সমগ্ৰ ৰাজ্য জোকাৰি গৈছে। এমদাদুলৰ আক্ৰমণত নিহত হয় তেওঁৰ পত্নী তাজমিনা খাতুন, দুই কন্যা সন্তান ক্ৰমে আৰহানা হাচান ওৰফে মণি আৰু দিলহান হাচানওৰফে ৰাণী। প্ৰাথমিক তথ্য অনুসৰি, এই হত্যাকাণ্ডটো পাৰিবাৰিক কন্দল আৰু মতানৈক্যৰ ফলত সংঘটিত হৈছে বুলি ৰাইজে জনাইছে। পৰিয়ালটোত দীৰ্ঘদিন ধৰি চলি অহা বিবাদে শুকুৰবাৰে নিশা চৰম ৰূপ লয় আৰু এমদাদুল ইছলামে ক্ৰোধত অন্ধ হৈ এনে এক নৃশংস কাণ্ড সংঘটিত কৰা বুলি ধাৰণা কৰা হৈছে। ঘটনাটো সংঘটিত হৈছে শুই থকা অৱস্থাত। নিজৰ পৰিয়ালটো শুই থকা অৱস্থাত হত্যাকাৰী এমদাদুলে কুঠাৰেৰে ঘপিয়াই পত্নী আৰু দুই কন্যাক (দহ পৃষ্ঠাত চাওক)

# দৃষ্টিহীন ক্ৰিকেটাৰ চিমুক ফিজিকেল ইনষ্ট্ৰাক্টৰ পদত নিযুক্তি দিব চৰকাৰে



ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত বৃহস্পতিবাৰে দিছপুৰৰ লোকসেৱা ভৱনত অসম চৰকাৰৰ সাপ্তাহিক কেবিনেটৰ বৈঠক অনুষ্ঠিত হয় । এই বৈঠকতে বহুকেইটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। কেবিনেট বৈঠকৰ অন্তত কেবিনেটৰ সিদ্ধান্তসমূহ সংবাদমেলযোগে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সদৰী কৰে। কেবিনেট সিদ্ধান্তৰ তথ্য সদৰী কৰি মুখ্যমন্ত্ৰী ড°শৰ্মাই জানিবলৈ দিয়ে যে কেবিনেটে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২১ ডিচেম্বৰত আধাৰশিলা স্থাপন কৰিবলগীয়া নামৰূপ এম'নিয়া-ইউৰিয়া ব্ৰাউণ্ড ফিল্ড প্ৰকল্প ৰূপায়ণৰ বাবে ব্ৰহ্মপুত্ৰ উপত্যকা সাৰ নিগম লিমিটেডক চৰকাৰী ভূমি হস্তান্তৰ কৰাৰ বাবে অনুমোদন জনায়। কেবিনেটে অসম সংহত ক্ৰীড়া নীতিৰ অধীনত মহিলা টি-২০ দৃষ্টিহীন ক্ৰিকেট বিশ্বকাপ-২০২৫ৰ খিতাপ দখল কৰা ভাৰতীয় মহিলা দলৰ সদস্য অসমকন্যা চিমু দাসক অসমৰ ক্ৰীড়া আৰু যুৱ কল্যাণ সঞ্চালকালয়ৰ অধীনত শাৰীৰিক প্ৰশিক্ষক (ফিজিকেল ইনষ্ট্ৰাক্টৰ) হিচাপে নিযুক্তি দিয়াৰ বাবে অনুমোদন জনায়। কেবিনেটে মিছন বসুন্ধৰাৰ অধীনত ৩০৮টা খিলঞ্জীয়া পৰিয়ালক বসবাসৰ উদ্দেশ্যে চৰকাৰী খাচ ভূমি আৰু চিলিং উদ্বৃত্ত ভূমিৰ আবণ্টনৰ বাবে অনুমোদন জনায়। আনহাতে কেবিনেটে গোৱালপাৰা জিলাৰ কুমাৰীবিল এলেকা (২৭০হেক্টৰ) আৰু ধামাৰবিল এলেকা (৩৩৭ হেক্টৰ)ক প্ৰস্তাৱিত সংৰক্ষিত (দহ পৃষ্ঠাত চাওক)

# প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ ওমানৰ সৰ্বোচ্চ সন্মান



ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ওমান ভ্ৰমণ কালত বৃহস্পতিবাৰে দেশখনৰ সৰ্বোচ্চ অসামৰিক সন্মান 'অৰ্ডাৰ অৱ ওমান' প্ৰদান কৰা হয়। ভাৰত আৰু ওমানৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কক শক্তিশালী কৰি তোলাৰ ক্ষেত্ৰত তেওঁৰ অৱদানৰ বাবে ওমানৰ ৰজা চুলতান হাইথাম বিন তাৰিকে প্ৰধানমন্ত্ৰী মোদীক এই সন্মান প্ৰদান কৰে। জৰ্ডান আৰু ইথিঅ'পিয়াৰ পিছত ত্ৰিদেশীয় ভ্ৰমণসূচীৰ অন্তিম পৰ্যায়ত প্ৰধানমন্ত্ৰী মোদীয়ে দুদিনীয়া ভ্ৰমণসূচীৰে ওমানত উপস্থিত হোৱাৰ সময়ত তেওঁক প্ৰদান কৰা হয় এই বিশেষ সন্মান। উল্লেখ্য যে কোনো (নপৃষ্ঠাত চাওক)

# মাজুলী মহাবিদ্যালয়ত যতীন্দ্ৰ কুমাৰ বৰগোহাঞিৰ স্মৃতিদিৱস পালন



ৰঙিলী বাৰ্ত্তাসেৱা- যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অৰ্থনীতি বিজ্ঞান বিভাগৰ প্ৰাক্তন অধ্যাপক, এগৰাকী আগশাৰীৰ চিন্তাবিদ, সাহিত্যিক, সাংবাদিক যতীন্দ্ৰ কুমাৰ বৰগোহাঞিৰ ত্ৰয়োদশ মৃত্যু দিৱস উপলক্ষে মাজুলী মহাবিদ্যালয়ত এখন বিশেষ স্মৃতিচাৰণ সভা অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয়ৰ 'শিক্ষাৰত্ন অতুল চন্দ্ৰ গোস্বামী গ্ৰন্থাগাৰ'ৰ 'যতীন্দ্ৰ কুমাৰ বৰগোহাঞি স্মৃতি-ষড়ংগ'ত অনুষ্ঠিত উক্ত সভাৰ আৰম্ভণিতে প্ৰয়াত শিক্ষাবিদজনৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনেৰে তেওঁলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াই। ইয়াৰ পিছতেই গ্ৰন্থাগাৰিক প্ৰদীপ চন্দ্ৰ দাসে অনুষ্ঠানত উপস্থিত থকা বিশিষ্ট অতিথিসকলক আনুষ্ঠানিকভাৱে আদৰণি জনায়। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ নৰেন চন্দ্ৰ ঠাকুৰীয়াই প্ৰয়াত বৰগোহাঞিৰ ব্যক্তিত্ব সম্পৰ্কে এক চমু আলোকপাত কৰাৰ লগতে তেওঁৰ জীৱনকালত সংগৃহীত গ্ৰন্থসমূহ মাজুলী মহাবিদ্যালয়লৈ দান কৰি যতীন্দ্ৰ কুমাৰ বৰগোহাঞিৰ পত্নী হৰপ্ৰিয়া বাৰুকিয়াল বৰগোহাঞিয়ে এক মহৎ কৰ্ম সম্পন্ন কৰা বুলি কয়। আন এজন বিশিষ্ট অতিথি তথা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ সৰ্বেশ্বৰ হাজৰিকাই যতীন্দ্ৰ কুমাৰ বৰগোহাঞিক লগ পোৱাৰ সময়ৰ কথা স্মৰণ কৰি তেখেতৰ ব্যক্তিত্বৰ জ্যোতিয়ে ছাত্ৰ-ছাত্ৰীসকলক চিৰদিন আলোকিত কৰি ৰাখিব বুলি উল্লেখ কৰে। সভাপতিৰ (নপৃষ্ঠাত চাওক)

# অখিল গগৈৰ বিৰুদ্ধে এজাহাৰ দাখিল এছআইটিৰ



ৰঙিলী বাৰ্ত্তাসেৱা- অখিল গগৈৰ বিৰুদ্ধে এছআইটিয়ে দাখিল কৰিলে এজাহাৰ । প্ৰাণৰ শিল্পী জুবিন গাৰ্গক ন্যায় প্ৰদানৰ বাবে আঢ়ৈ মাহজোৰা তদন্তৰ অন্তত ৰাজ্য চৰকাৰে গঠন কৰি দিয়া বিশেষ তদন্তকাৰী গোট চমুকৈ এছআইটিয়ে হত্যাকাণ্ডৰ অন্যতম ৫ অভিযুক্ত ক্ৰমে শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মা, শেখৰজ্যোতি গোস্বামী, অমৃতপ্ৰভা মহন্ত আৰু সন্দীপন গাৰ্গৰ বিৰুদ্ধে দাখিল কৰা অভিযোগনামাৰ কিয়দংশ সামাজিক মাধ্যমযোগে প্ৰচাৰ কৰিছিল বিধায়ক অখিল গগৈয়ে । অকল প্ৰচাৰ কৰাই নহয়, বিধায়ক গগৈয়ে এছআইটিৰ (নপৃষ্ঠাত চাওক)

# অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ অসম প্ৰদেশৰ ৰাজ্যিক সভানেত্ৰী হিচাপে ড° ৰীতামণি বৈশ্য পুনৰ নিৰ্বাচিত





ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড° ৰীতামণি বৈশ্যক অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ অসম প্ৰদেশৰ ৰাজ্যিক সভানেত্ৰী হিচাপে পুনৰ নিৰ্বাচিত আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ নেতা মানস প্ৰতীম কলিতা ২০২৫-২৬ বৰ্ষৰ ৰাজ্যিক সম্পাদক হিচাপে নিৰ্বাচিত কৰা হৈছে। আজি এবিভিপিৰ ৰাজ্যিক কাৰ্যালয়ৰ পৰা নিৰ্বাচনী বিষয়া অতুল কিৰি ইংটিয়ে জাৰি কৰা এক বিজ্ঞপ্তি অনুসৰি উপৰোক্ত পদ দুটাৰ কাৰ্যকাল এবছৰ হ'ব আৰু দুয়োগৰাকী ব্যক্তিয়েই ২৪ ডিচেম্বৰ তাৰিখৰ পৰা ধুবুৰীত অনুষ্ঠিত হ'বলগীয়া ৩১ সংখ্যক ৰাজ্যিক অধিবেশনত তেওঁলোকে দায়িত্ব গ্ৰহণ কৰিব। ড° ৰীতামণি বৈশ্যই গুৱাহাটী বিশ্ববিদ্যালয়ত হিন্দী বিভাগৰ অধ্যাপিকা হিচাপে কৰ্মৰত আৰু বিগত দুটাকৈ বৰ্ষ তেওঁ বিদ্যাৰ্থী পৰিষদ অসম প্ৰদেশৰ ৰাজ্যিক সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। ড° ৰীতামণি বৈশ্যৰ বহু কেইখন গৱেষণা পত্ৰ প্ৰকাশ পোৱাৰ লগতে তেওঁ সৃষ্টিশীল সাহিত্যৰ লগত বিশেষ ভাৱে জড়িত। 'মৃগতৃষ্ণা', 'মহাপুৰুষ শংকৰদেৱৰ ৰুক্মিণী হৰণ নাট', (নপৃষ্ঠাত চাওক)

# ৰিতম পুথিভঁৰালত বিকাশ কলিতাৰ গ্ৰন্থ উন্মোচন



ৰঙিলী বাৰ্ত্তাসেৱা- জুবিন গাৰ্গ অসমীয়াৰ হিয়াৰ আমঠু। তেখেতৰ সৃষ্টিৰাজি প্ৰতিগৰাকী অসমীয়াৰ হৃদয়ত প্ৰৱাহিত হৈ আছে। ৰিতম পুথিভঁৰালৰ স্বত্বাধিকাৰী শিক্ষক বিকাশ কলিতাও এগৰাকী জুবিনৰ অনুৰাগী। তেখেতে" জুবিন গাৰ্গ" ওপৰত এখন গ্ৰন্থ লিখি উলিয়াই। এই গ্ৰন্থখন উন্মোচন কৰাৰ উদ্দেশ্যে ১৬ডিচেম্বৰ ২০২৫ চন মঙ্গলবাৰে সন্ধিয়া ৪বাজি ৩০মিনিটত ৰিতম পুথিভঁৰালত উন্মোচনী সভা অনুষ্ঠিত কৰে। সেই অনুষ্ঠানত সভাপতিৰ আসন শুৱনি কৰে জুনিয়ৰ কলেজৰ অধ্যক্ষ হৰমোহন দাস (নপৃষ্ঠাত চাওক)

# হেঁপাহৰ মিঠা সুৰৰ বাঁহী

দেৱজিত



তুমি মোৰ হৃদয়ৰ এমুঠি জোনাক
প্ৰনয়ৰ ফুলেৰে আদৰিলোঁ তোমাক
জীয়া জীয়া সপোনৰ
মিঠা মিঠা সুবাসৰ
হৃদয়ৰ পাহিত সিঁচি দিয়া জোনাক।
জোনাকৰ চঞ্চলা জাৰৰ মধুৰাত্ৰি
প্ৰেমৰ এপিয়লা মদিৰা দিয়া বাকি
প্ৰস্ফুটিত হৃদয়ত
লাজুকীয়া পৰশত
জীৱন্ত হওক প্ৰণয়ৰ প্ৰতিমূৰ্তি।।
প্ৰজ্বলিত হওক মোৰ জীৱন বন্তি
কোঁহে কোঁহে স্বপ্নৰ ৰেশ উঠক ভাঁহি
মায়াময় মতলীয়া
মোৰ এই মুগ্ধ হিয়া
বাজি উঠক এক মিঠা সুৰৰ বাঁহী।।

# ডিচেম্বৰৰ মাদকতা হেৰুৱাৰ পথত




**আয়শা ছিদ্দিকা (আছৰি),বাংলিপাৰা, বৰপেটা**

অপেক্ষাৰ অন্তত প্ৰাপ্তিৰ অস্বাদন হয় সেই কাৰণে চাগে অপেক্ষাবোৰ ইমান আকৰ্ষণীয় হয়।

এটা সময় আছিল যেতিয়া বছৰৰ শেষৰটো পৰীক্ষা শেষ হোৱাৰ অপেক্ষাত মনটো আনন্দত নাচি উঠিছিল। গোটেই বছৰ যেনে তেনে পাৰ কৰি বছৰেকীয়া পৰীক্ষাৰ শেষ হোৱালৈকে মাথোঁ অপেক্ষা। এই অপেক্ষা উপেক্ষা কৰা টান। কিনকিনীয়া শীতৰ কুঁৱলীসনা চিকুণ পুৱাই কম্পিত দেহ ঠেলি বিদ্যালয়লৈ বুলি বাট মেলাটো তেতিয়া বিৰক্তিকৰ যেন লাগিলেও এতিয়া যেন মধুৰ সময় সেইয়াই আছিল বুলি অনুভৱ হয়।

ঠাণ্ডাৰ প্ৰকোপত জৰ্ঠ বন্ধা হাতেৰে কলম তুলি লিখিব মন নোহোৱাৰ পিছতো মাকৰ ৰঙা চকু আৰু শ্ৰেণীত ৰোল নম্বৰ পিছলৈ যোৱাৰ ভয়ত এটা এটা কৈ প্ৰতিটো প্ৰশ্ন হোৱাই নোহোৱাই লিখি উত্তৰৰ বহী পূৰ্ণ কৰাৰ প্ৰতিযোগিতা তেতিয়া আমনিদায়ক আৰু কোপৰ কাৰণ হ'লেও আজিৰ দিনত সেইয়া যেন এক মৃদুময় স্মৃতি। হেৰুৱাই পেলোৱা এক অমূল্য সময়।

ছয়মাহ আগৰ পৰাই কিমানদিন কোনটো আলহী ঘৰত থাকিব লাগিব কোন কোন সমনীয়াৰ লগত ক'ত ক'ত ফুৰিব যাব লাগিব এই লৈ ঠেহ পাতি কাজিয়া লগা সেই ডিচেম্বৰ মাহ আজি যেন নীৰৱ নিস্তব্দ, প্ৰাণহীন, নিৰস।

হাঁহিৰ গুঞ্জনে গুঞ্জৰিত হৈ (আঠপৃষ্ঠাত চাওক)

# বিলাসিতাৰ দহনত বিয়া



**কুঞ্জিল হাজৰিকা,যোৰহাট, টীয়ক**

বিয়াৰ বতৰ আহিলেই আমাৰ সমাজত এক নব্য ধৰণৰ উল্লাস আৰু আড়ম্বৰে দেখা দিয়ে, যিটোৱে আজিকালি এক সামাজিক প্ৰতিযোগিতাৰ ৰূপ লৈছে। চিৰাচৰিত পৰম্পৰা আৰু মূল্যবোধক পিচলৈ ঠেলি দি, অসমীয়া বিয়াই এতিয়া এক মিশ্ৰ সংস্কৃতি আৰু বিলাসী প্ৰদৰ্শনৰ বিশাল মঞ্চত পৰিণত হৈছে। এই পৰিৱৰ্তন কেৱল এজন ব্যক্তিৰ অনুভৱ নহয়, বৰং ই সমগ্ৰ মধ্যবিত্ত সমাজৰ এক গভীৰ প্ৰতিফলন।

শেহতীয়া সময়ত বিয়াৰ আয়োজন কেৱল এটি দিনৰ মাঙ্গলিক অনুষ্ঠান হৈ থকা নাই। ই আজিকালি কেইবাদিনীয়াকৈ চলি থকা এক বিস্তৃত কাৰ্যসূচীলৈ পৰিণত হৈছে। নিমন্ত্ৰণী পত্ৰত বিয়াৰ দিনৰ সলনি তিনি-চাৰিদিনীয়া কৰ্মসূচী ছপোৱাটো যেন এক নৱতম 'ট্ৰেণ্ড'। এই সমাৱেশবোৰত প্ৰদৰ্শিত হোৱা আড়ম্বৰ সঁচাকৈয়ে মন কৰিবলগীয়াঃ

**বিলাসিতাৰ পেণ্ডেলঃ** সাধাৰণ ৰভাৰ সলনি আজি হাজাৰ হাজাৰ টকা ব্যয় কৰি সজোৱা হয় ৰাজকীয় পেণ্ডেল, য'ত সাধাৰণ অতিথিয়ে বহিবলৈও সংকোচবোধ কৰে।

**খাদ্য সম্ভাৰৰ প্ৰাচুৰ্যঃ** একোখন বিয়াত ভিন্ন ৰাজ্য আৰু ভিন্ন দেশৰ খাদ্যৰ তালিকা সন্নিৱিষ্ট কৰা হয়, যিটোৱে বিয়াৰ মূল উদ্দেশ্যতকৈ খাদ্যৰ প্ৰদৰ্শনকে অধিক গুৰুত্ব দিয়ে।

**পেছাদাৰী সেৱাৰ জয়জয়কাৰঃ** উচ্চ হাৰৰ পাৰিশ্ৰমিকেৰে নিযুক্ত পেছাদাৰী ফটোগ্ৰাফাৰৰ বিশাল বাহিনী, নামী-দামী মেক-আপ আৰু মেহেন্দী আৰ্টিষ্টৰ ভিৰ - এইবোৰ হৈ পৰিছে বৰ্তমানৰ বিয়াৰ অপৰিহাৰ্য অংশ।

**সাংস্কৃতিক সংমিশ্ৰণঃ** মূল অসমীয়া পৰম্পৰাৰ বাহিৰেও, বৰবিহ সদৃশ কিছুমান অনা-অসমীয়া সংস্কৃতিৰ পৰা ধাৰে লোৱা নতুন ৰীতি-নীতিও এই তালিকাত যোগ হৈছে, যিবোৰৰ সৈতে আমাৰ মূল সংস্কৃতিত কোনো সম্পৰ্কই নাই।

এইবোৰৰ চূড়ান্ত ফলস্বৰূপে, সাধাৰণ বা নিম্ন-মধ্যবিত্ত পৰিয়ালৰ লোকসকল এই অনুষ্ঠানবোৰলৈ গ'লে এক গভীৰ হীনমন্যতাত ভোগে। ৰাজকীয় আদৰ-কায়দা আৰু অপৰিসীম খৰচৰ এই দৃশ্যবোৰৰ সন্মুখত, বহুতো মধ্যবিত্ত পৰিয়ালৰ মনত এই প্ৰশ্নই দোলা দি যায়ঃ "আমাৰ সাধ্য কিমান? আমি কি সঁচাকৈয়ে এই বিলাসী প্ৰবাহৰ সৈতে মিলি যাব পাৰিমনে?" ৰভাৰ তলত বহিবলৈ, বা বিলাসী খাদ্য সম্ভাৰ গ্ৰহণ কৰিবলৈকো নিজৰেই সংকোচবোধ হয়, কাৰণ এই আড়ম্বৰৰ সৈতে নিজৰ আৰ্থিক স্থিতিৰ কোনো মিল বিচাৰি পোৱা নাযায়।

দুখৰ বিষয় যে, এই আড়ম্বৰৰ আঁৰত বহুতো পৰিয়ালে কেৱল সামাজিক হেঁচা আৰু ট্ৰেণ্ডৰ সৈতে মিলি যোৱাৰ স্বাৰ্থত নিজৰ সাধ্যৰ সীমা অতিক্ৰম কৰি বিৰাট বিত্তীয় বোজা ল'বলগীয়া হয়। যিসকল ব্যক্তিয়ে জীৱনৰ আৰম্ভণিতে দাৰিদ্ৰ্য আৰু অভাৱৰ জুঁই (বাৰপৃষ্ঠাত চাওক)

অনুগল্প

# বদনামী

**ৰিমী হাজৰিকা, মাজুলী**



ভাৰাক্ৰান্ত মনেৰে সাগৰিকা বাহিৰৰ কোঠালীটোতে বহিল। মনত তাইৰ অলেখ প্ৰশ্ন। তাইৰ বৰ্তমান ২০ বছৰীয়া গাভৰু, গতিকে যিকোনো কথা বুজিব পৰা সামৰ্থ তাইৰ আছে। কিন্তু সকলো কথা বুজি পায় ও তাইৰ কাকো কৈফয়ৎ দিবলৈ নাযায়। কাৰণ তাই জানে যে বৰ্তমানৰ পৃথিৱীত কাকো কোনো কথাৰ প্ৰত্যুত্তৰ দিয়াটো সহজ নহয়, কাৰণ তাই কিমান জনক বুজাব, কিমান জনক উত্তৰ দিব। সুদীৰ্ঘ ১৮ টা বছৰত জীৱনে তাইক বহু কথা শিকালে, বহু অভিজ্ঞ কৰিলে।

মাত্ৰ দুবছৰ বয়সতেই মাতৃহাৰা হোৱা সাগৰীকাই দেউতাকৰ মৰমত ডাঙৰ দীঘল হৈছিল যদিও মাকৰ অভাৱ বাৰুকৈয়ে উপলব্ধি কৰিছিল । তাই সৰুতেই অকলশৰে জীৱনৰ পাতনি মেলিছিল। কোনো কথা কাকো নোকোৱাকৈ, কাৰো ওচৰত পুতৌৰ পাত্ৰ নোহোৱাকৈ তাই নিজক এখন ডাঠ আৱৰণৰ মাজত ৰাখিছিল, য'ত দুখ সুখ একোৱে স্পৰ্শ কৰিব নোৱাৰা হৈছিল তাইক।

কিন্তু এদিনৰ সেই ঘটনাই সলনি কৰি পেলাইছিল সকলো। সেইদিনা আছিল অমাৱস্যা। হোষ্টেলৰ সকলো ছোৱালী আড্ডাত ব্যস্ত। তেনেতে তাই এখোজ আগুৱাই গৈছিল নিৰ্জনতাৰ বাবে। তাই গম নোপোৱাকৈ ওলায় গৈছিল গেটৰ বাহিৰত থকা শেৱালী জোপাৰ তললৈ। তেনেতে তাইক কোনোবাই পাছফালৰ পৰা মুখত সোপা দি ধৰিছিল। তাৰ পাছত আৰু তাই নাজানে। তাই যেতিয়া সাৰ পাই উঠে তেতিয়া নিজক আৱিস্কাৰ কৰিছিল হস্পিতালৰ বেদত। তাই নামৰ আগত আহি পৰিছিল এটা শব্দ 'বদনামী'।

তেতিয়াৰ পৰা তাই আৰু কঠিন হৈ পৰিছিল। মানুহে তাইৰ চৰিত্ৰৰ ওপৰত আঙুলি উঠাই ছিল। আজি সম্পূৰ্ণ এমাহৰ পাছত সুস্থ হৈ হোষ্টেল যাবলৈ ওলাই থমকি ৰ'ল তাই। তাই তেতিয়াই অনুভৱ কৰিছিল যে তাইৰ নিচিনা বদনামী ছোৱালী এজনী এনে এখন সমাজত জীয়াই থকা কিমান কঠিন।

# ক্ৰমবৰ্ধমান প্লাষ্টিক প্ৰদূষণৰ প্ৰভাৱ

ভূমিকাঃ-“Earth provides enough to satisfy every man’s needs, but not every man’s greed.”- Mahatma Gandhi

পৃথিৱী-সৌন্দৰ্য্য, জৈব বৈচিত্ৰ্য আৰু প্ৰাকৃতিক সামঞ্জস্যৰ এক অপূৰ্ব নিদৰ্শন। কিন্তু শিল্পায়ন, ভোগবাদিতা আৰু অপৰিমিত ভোগাকাংক্ষাৰ ফলত আজিৰ সভ্যতা যি দিশে আগবাঢ়িছে, যি পৃথিৱীৰ স্বাভাৱিক ধাৰাটোকেই ব্যাহত কৰি তুলিছে। জীৱন-সুবিধাৰ নামত উদ্ভাৱিত এক বস্তু- প্লাষ্টিক, আজিৰ সমাজত সুবিধা আৰু সংকট দুয়োটাৰ প্ৰতীক। এই পদাৰ্থটো কেৱল বিজ্ঞানৰ সৃষ্টি নহয়-ই হৈছে এক বিপজ্জনক জীৱদৰ্শন, যিয়ে প্ৰকৃতি আৰু মানৱতাৰ মাজত সংঘাত সৃষ্টিৰে পৃথিৱীখনক “নীৰৱ প্ৰলয়”ৰ দিশে গতি কৰাইছে। আজি এই প্লাষ্টিক সভ্যতাৰ ছায়াত জল আৰু স্থল দুয়োটা মণ্ডলতে গছ-গছনি শুকাই গৈছে, জীৱ বৈচিত্ৰ্য বিপন্ন হৈছে, আৰু মানৱ জীৱন স্বাস্থ্য সংকটত পৰিছে । স্থানীয় দৃষ্টিকোণৰ পৰা চাবলৈ গ’লে আমি “ব্ৰহ্মপুত্ৰত প্লাষ্টিকৰ পোনপটীয়া প্ৰভাৱ” বা “গুৱাহাটী মহানগৰীৰ ডাম্পিং ইস্যু” কথাকে উল্লেখ কৰিব পাৰোঁ ।

**প্লাষ্টিকৰ উৎপত্তি আৰু বিস্তাৰৰ ইতিহাসঃ-**

১৯০৭ চনত বেলজিয়ামৰ ৰসায়ন বিজ্ঞানী লিও বেকেলেণ্ডে প্ৰথম কৃত্ৰিম প্লাষ্টিক ‘বেকেলাইট’ উদ্ভাৱন কৰে, যিয়ে চিকিৎসা, খাদ্য সংৰক্ষণ, বৈদ্যুতিক সামগ্ৰী, আৰু দৈনন্দিন জীৱনৰ প্ৰায় সকলো খণ্ডতে বিপ্লৱ আনিছিল। কিন্তু-প্লাষ্টিক প্ৰাকৃতিকভাৱে দহন হোৱা পদাৰ্থ নহয়। ইয়াৰ সম্পূৰ্ণ ক্ষয়ৰ বাবে শতাব্দীৰ প্ৰয়োজন। এই দীৰ্ঘায়ুতা প্ৰকৃতিত জমা হৈ পৰিৱেশক বিষাক্ত কৰি তোলে।

**পৰিৱেশত প্লাষ্টিকৰ গভীৰ প্ৰভাৱঃ-**

আজি যিমানেই উন্নয়ন বা ব্যৱসায়ৰ নামত প্লাষ্টিক উৎপাদন আৰু ব্যৱহাৰ বাঢ়িছে, তাতেই বিশ্বজুৰি জলবায়ু পৰিৱৰ্তন আৰু প্ৰাকৃতিক বিপৰ্যয়ৰ আশংকা বৃদ্ধি পাইছে। জৈব বৈচিত্ৰ্য হ্ৰাস পাইছে, বহু প্ৰজাতি বিলুপ্তিৰ সন্মুখীন হৈছে। বিশেষকৈ এবাৰ ব্যৱহাৰোপযোগী “single-use plastic”-বটল, পেকেট, প্লেট, চামুচ আদিৰ দ্বাৰা সৃষ্ট বৰ্জ্যই নদী, সাগৰ, ভূমিপৃষ্ঠ ভৰাই তুলিছে । ভাৰতত প্ৰতিদিনে ২৫, ০০০ টনৰো অধিক প্লাষ্টিক বৰ্জ্য উৎপন্ন হয়, যাৰ অধিকাংশ পুনঃব্যৱহৃত নহয়।

**ইয়াৰ উপৰিও প্লাষ্টিকৰ প্ৰভাৱত পৰিৱেশত দেখা দিয়া সমস্যা হ’ল -**

১) মাটিৰ উৰ্বৰতা হ্ৰাসঃ প্লাষ্টিকৰ স্তৰত মাটিৰ ছিদ্ৰতা হ্ৰাস পায়, মাইক্ৰ’বায়েল জীৱৰ কাৰ্যক্ষমতা কমে । কৃষি উৎপাদন কমে ।

২) জলজ জীৱবৈচিত্ৰ্যৰ ধ্বংসঃ প্লাষ্টিকৰ টুকুৰা সাগৰ, হ্ৰদ, নদীত জমা হৈ মাছ, কাছ, ডলফিন আদিৰ পাচন প্ৰক্ৰিয়া আৰু জীৱন প্ৰণালীত বাধাৰ সৃষ্টি কৰে ।

৩) বায়ু প্ৰদূষণঃ প্লাষ্টিক জ্বলালে ডাইঅক্সিন, ফিউৰান, PCB আদি বিষাক্ত গেছ ওলাই, যিয়ে শ্বাসতন্ত্ৰ আৰু স্নায়ু তন্ত্ৰৰ ক্ষতি কৰে ।

৪) মাইক্ৰ’প্লাষ্টিক (food chain contamination) সংকটঃ UNEP Report, ২০২৩ মতে বছৰে ৮-১০ মিলিয়ন টন প্লাষ্টিক সাগৰত পৰে আৰু এই ক্ষুদ্ৰ কণাসমূহ খাদ্য শৃংখলাৰ জৰিয়তে মাছ, চৰাই, পশু আৰু মানুহৰ দেহলৈ প্ৰৱেশ কৰে। বিজ্ঞানীয়ে ইতিমধ্যে ৰক্ত, যকৃত আৰু মগজুত এই কণাৰ উপস্থিতিৰ প্ৰমাণ পোৱা বুলি প্ৰকাশ কৰিছে। WWF (২০২২) মতে, “Each human may consume 5 grams of microplastic per week — equivalent to a credit card.” অৰ্থাৎ প্ৰতিজন মানুহে সপ্তাহটোত ৫ গ্ৰাম মাইক্ৰ’প্লাষ্টিক খাইছে বুলি ধৰা হৈছে - যিটো এটা ক্ৰেডিট কাৰ্ডৰ ওজনৰ সমান ।

**জীৱবৈচিত্ৰ্য আৰু স্বাস্থ্যজনিত বিপৰ্যয়ঃ-**

১) জলজ প্ৰাণীৰ মৃত্যুঃ সামুদ্ৰিক মাছ, তিমি, কাছ প্ৰভৃতি প্ৰাণীয়ে প্লাষ্টিকক খাদ্য বুলি ভাবে (“Ghost Food”) আৰু অপুষ্টিৰ বাবে মৃত্যুমুখত পৰে ।

২) স্থলচৰ প্ৰাণীৰ অন্ত্ৰৰ ক্ষতিঃ অসমৰ বহু ঠাইত হাতী, গৰু, কুকুৰ আদি প্লাষ্টিক খাই অন্ত্ৰৰ অৱৰোধৰ বাবে মৃত্যুবৰণ কৰিছে ।

৩)মানৱ দেহৰ স্বাস্থ্য সংকটঃ WHO অনুসৰি, মাইক্ৰ’প্লাষ্টিক (food chain contamination)-এ endocrine system, reproductive system, nervous system আৰু DNA integrity ক হানি কৰে ।

**আৰ্থ-সামাজিক বিপদঃ-**

১) পৰ্যটনত প্ৰভাৱঃ পৰ্বত-পাহাৰ, নদ-নদী বা স্থানীয় দৃষ্টিকোণৰ পৰা চাবলৈ গ’লে আমি দীঘলী পুখুৰী নতুবা কাৰ্বি আংলঙৰ দৰ্শনীয় স্থানসমূহৰ কথাকে উল্লেখ কৰিব পাৰোঁ, য’ত প্লাষ্টিকৰ সৃষ্টই দৃষ্টিকটুভাৱে পৰ্যটনৰ ক্ষতি ঘটায়ছে ।

২) জল সংকটঃ জলাশয়সমূহত প্লাষ্টিক জমা হোৱাত পানীৰ গুণগত মান হ্ৰাস পায়, বিশেষকৈ গাঁও অঞ্চলত বিশুদ্ধ পানীৰ অভাৱ দেখা দিয়ে ।

৩)স্বাস্থ্য আৰু সুৰক্ষাঃ বৰষুণৰ পানী নলা-খালত জমা হৈ প্লাষ্টিকে পথ অৱৰোধ কৰি বানপানী আৰু মহামাৰী সৃষ্টি কৰিব পাৰে ।

**ভাৰতীয় পৰিপ্ৰেক্ষিতঃ-**

১) ২০১৯ চনত, ভাৰত চৰকাৰে Single-use প্লাষ্টিক নিষিদ্ধ কৰাৰ কথা ঘোষণা কৰে ।

২) ২০২২ চনৰ ১ জুলাইৰ পৰা প্লাষ্টিক চামুচ, জিলাত, ইত্যাদি নিষিদ্ধ ।

৩) Swachh Bharat Mission, Plastic Free India Campaign যেন উদ্যোগসমূহে প্লাষ্টিকমুক্ত ভাৰতৰ লক্ষ্য আগবাঢ়িছে ।

**সমাধানৰ পদক্ষেপসমূহঃ-**

১) Single-use প্লাষ্টিক নিষিদ্ধ কৰা আৰু তাৰ বিকল্প ব্যৱহাৰত কঠোৰ আইনী ব্যৱস্থা ।

২) Zero Waste Lifestyle: “Reduce, Reuse, Recycle” নীতিৰ সফল প্ৰয়োগ ।

৩) Plastic Literacy: বিদ্যালয়ত নাট, আলোচনাচক্ৰ, চিত্ৰাঙ্কন, প্ৰদৰ্শন আদি জৰিয়তে সচেতনতা গঢ়ি তোলা।

৪) প্ৰযুক্তি-কেন্দ্ৰিক সমাধানঃ Waste Processing Plant, Recycling Center, বায়ো-ডিগ্ৰেডেবল প্লাষ্টিকৰ (e.g. PLA – Polylactic Acid)উন্নয়ন ।

৫) প্ৰাকৃতিক বিকল্পৰ প্ৰচলনঃ বাঁহ, কলপাত, মাটিৰ পাত্ৰ আদি স্থানীয় বিকল্পৰ ব্যৱহাৰ ।

**উপসংহাৰঃ-**

“You say you love your children above all else, and yet you are stealing their future in front of their very eyes.”- Greta Thunberg

প্লাষ্টিক প্ৰদূষণ হৈছে এক দৃশ্যমান সমস্যা, কিন্তু ইয়াৰ অন্তৰ্নিহিত সংকট হৈছে- অপৰিহাৰ্যতাৰ নামত গঢ়ি উঠা এক অসচেতন সভ্যতা। ইয়াৰ সমাধান কেৱল বিজ্ঞান বা নীতিতেই নহয়-সচেতনতা, শিক্ষা, নৈতিকতা আৰু জীৱনদৰ্শনৰ এক বিপ্লৱৰ জৰিয়তে সম্ভৱ। এই মুহূৰ্তত কাৰ্যকৰী পদক্ষেপ গ্ৰহণ নকৰিলে আগন্তুক প্ৰজন্মই সজীৱ পৃথিৱীৰ পৰিবেশ লাভ নকৰিব। সেয়ে আহক, আমি আজি তথা এতিয়াৰ পৰা সংকল্প লওঁঃ-

“প্লাষ্টিক নহয়,
প্ৰকৃতিৰ বন্ধু হওঁ,
জীৱন-ভৱিষ্যতৰ বাবে,
এক সচেতন পন্থা বাছোঁ।”



ময়ূৰী বৰগোহাঁই, দশম শ্ৰেণী
জয়মতী উচ্চ মাধ্যমিক বিদ্যালয়,মাদুৰি, শিৱসাগৰ

# অভিমান...



শ্বৰীফ,লক্ষীপুৰ, গোৱালপাৰা

নুবুজিলা তুমিও
বুজিবৰ চেষ্টাও নকৰিলা
তোমাৰ হাঁহিমুখীয়া মুখখনি
অভিমানৰ ভাঁজে ভাঁজে শেঁতা পৰিছে
প্ৰাণ ভৰি উঠা গুলপীয়া সপোন আজি পিছে নাই
উকা উকা মন...
ভাবো অনুক্ষণ
জুমি জুমি চাওঁ
হেৰাই যাও কল্পনাৰ মায়াজালৰ মাজত
তোমাৰ অহংকাৰ মান-অভিমান
য’ত সফলতাত হাঁহি-গান
এক অবুজন মায়াৰ টান
মাদকতাভৰা কাতৰ প্ৰাণ
এয়াই চাগে আত্মীক ভালপোৱা
ধূলিৰ ধৰাৰ অবুজ আকৰ্ষণ
মোৰ মাজতে মই শেষ হৈ যাম
নিবিচাৰোঁ
নিবিচাৰোঁ তোমাৰ দুহাত...
ভাপৰ দৰে তপ্ত দুখত আকাশলৈ উৰি যাওঁ
নাছিল পোৱাৰ বাসনা,
কৰা নাছিলোঁ লালসা
ঋতু কালিন পক্ষীৰ দৰে
এক বিমূৰ্ত ভাৱনাত বিভোৰ...
মোৰ ভালপোৱাৰ পদূলিত
তোমাৰ মৰহা ফুলৰ আমোলমোল সুবাস...

অণুগল্প

# নৱবৰ্ষ

মালবিকা দেৱী,
শোণিতপুৰ



পৰিয়াল আৰু সমাজৰ কামত লাগি থাকোতে শৰীৰৰ যতন ল’বলৈ আহৰি নোপোৱা তৰালীক আজি বেৰৰ কেলেণ্ডাৰ খনে সোঁৱৰাই দিলে জীৱনৰ পৰা এটা বছৰ আকৌ বিয়োগ হ’ল।


জনতাৰ চৰকাৰ
my GOV মেৰী সৰকাৰ
অসম চৰকাৰ
বিদ্যালয় শিক্ষা বিভাগ
JANASANYOG-3564/25/21-Dec-25
প্ৰেৰণা
দশম শ্ৰেণীৰ শিক্ষাৰ্থীসকলক
জলপানি প্ৰদান
কোনে আবেদন কৰিব পাৰিব
অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পৰীক্ষাৰ্থী
আদৰ্শ বিদ্যালয়সমূহত অধ্যয়নৰত চি বি এছ ইৰ দশম শ্ৰেণী শিক্ষান্ত পৰীক্ষাৰ পৰীক্ষাৰ্থী
আৰ্থিক অৱস্থা নিৰ্বিশেষে অসমত স্থায়ীভাৱে বসবাস কৰা শিক্ষাৰ্থী
২০২৫ চনৰ নৱেম্বৰ মাহৰ পৰা
চাৰিমাহৰ বাবে মাহিলি ৩০০ টকাকৈ
জলপানিৰ ব্যৱস্থা
উদ্দেশ্য
শিক্ষাৰ্থীসকলক অধ্যয়ন সামগ্ৰী, কিতাপ, পুষ্টিকৰ খাদ্য আদি ক্ৰয় কৰাৰ দিশত সহায়তা
শিক্ষাৰ্থীসকলৰ আত্মবিশ্বাস, মানসিক স্বাস্থ্য আৰু মনোবল বৃদ্ধি
দৰিদ্ৰ পৰিয়াল আৰু গ্ৰামাঞ্চলৰ শিক্ষাৰ্থীৰ মাজত বিদ্যালয় ত্যাগৰ প্ৰৱণতা হ্ৰাস
হাইস্কুল শিক্ষান্ত পৰীক্ষা/ দশম শ্ৰেণী শিক্ষান্ত পৰীক্ষাত সামগ্ৰিকভাৱে উত্তীৰ্ণৰ হাৰ বৃদ্ধি
চৰকাৰী/ প্ৰাদেশীকৃত আৰু আদৰ্শ বিদ্যালয়সমূহত নামভৰ্তি বৃদ্ধি
উপকৃত শিক্ষাৰ্থী
৪.৪ লাখ+
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Connect with us @diprassam dipr.assam.gov.in
অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

# Dr Naba J Borah: A Neurosurgeon with a Golden Touch

*From the previous section*

Heramba Nath



His dedication reflects a silent patriotism rooted not in words but in actions, ensuring safety, trust, and hope for countless families.

Dr Borah's life also embraces artistic sensitivity. He writes poems and short stories in Assamese, revealing the same gentleness that guides his medical practice. His artistic temperament complements his scientific mind, offering depth, introspection, and emotional intelligence—qualities that enhance his healing touch.

A poetic tribute captures the essence of his journey:

In Assam's gentle heart they say,
A healer walks in lighted way.
With steady hands and mind so clear,
He turns despair to hope sincere.
The brain, the spine, the fragile nerve,
Bend to the skill he has the verve.
Ten thousand lives, a whispered grace,
Each soul restored, each fearful face.
Calm as dawn, yet fierce as flame,
In every patient, he knows their name.
Not just a doctor, but a guide,
A gentle presence by their side.
Through sleepless nights and endless care,
He meets each trial with wisdom rare.
No limelight sought, no boastful claim,
Yet thousands honour his silent fame.
Patriot of heart, healer of land,
A life devoted by gentle hand.
May every blessing attend his way,
And light of hope grow day by day.
For in his touch, both sure and kind,
Resides the peace we long to find.
Dr Naba J Borah, a beacon true,
In every life, his soul shines through.

May the Almighty bless him abundantly with unwavering strength, steady hands, and the wisdom to make precise, life-saving decisions in the most critical moments. May his vision remain clear, his mind sharp, and his heart ever open to the pain and hopes of those who come seeking his care. In every gesture, every surgical procedure, and every word of comfort, may he continue to embody the rare combination of skill, dedication, and deep humanity that defines a true healer.

The people of Assam and the entire Northeast are indeed fortunate to have such a gifted neurosurgeon among them—one whose golden touch restores not only the body but also hope, faith, and courage to patients and their families. His humane approach, boundless patience, and relentless pursuit of excellence have illuminated countless lives, bringing relief where there was despair and light where there was darkness. May his journey continue to inspire generations of medical professionals, reminding the world that true greatness lies not only in mastery of a craft but in the compassion and empathy with which it is wielded.

***Next Issue***

# এমুঠি সুখ



শৈলেন কুমাৰ, মিৰ্জা

এমুঠি সুখ বিচাৰি
খাই হাবাথুৰি
হৈছোঁ ডলাৰবগৰী
এয়া কি দেখিছোঁ
অন্ধকাৰে কৰিছে গ্ৰাস
নেদেখি পোহৰ আজি
চৌদিশে সৰ্বনাশ
মৃত্যু নহয় সুলভ
জীৱন মানে জটিলতা
নিজক নিজে কৰি হত্যা
হেৰুৱাইছো সৰলতা
ৰামৰাজ্যত ৰজাৰ শাসন
নিচাহ মগন প্ৰজাগণ
চৌদিশে জয়গান
সকলোৰে হৈছে উন্নয়ন
আলিপদূলি, ঘৰৰ চুকেকোণে
ৰাজনীতি, কূটনীতি
কৰিব পৰা যদি হৃদয়ংগম
সময়ৰ গতিত এমুঠি সুখ বিচাৰি
ভাগৰি পৰিছোঁ, হৈছোঁ ধৰাশায়ী
প্ৰলয় হব এদিন
সেয়া জানিবা নিশ্চয়
ধ্বংস হোৱাৰ পূৰ্বে
সম্ভৱতঃ পাৰিলে শেষবাৰৰ
বাবে বুটলি লোৱা এমুঠি সুখ
নিলাজৰ হাঁহি,
আৰ্তজনৰ আৰ্তনাদ
দুদিনৰ সুখ বিচাৰি
সৰ্বস্ব হেৰুৱালি
হাতৰ মুঠিৰ পৰা পিছলিল সময়
অন্তিম যাত্ৰা এয়া
মাগিলোঁ চিৰবিদায়

# ডিচেম্বৰৰ মাদকতা হেৰুৱাৰ

থকা সেই ডিচেম্বৰ আজি মাথোঁ ব্যস্ত সময়ৰ আমোদহীন এক ব্যস্তমাহ। য'ত আনন্দৰ কোনো চিন-চাব নাই আছে মাথোঁ জীৱনৰ তিক্ত কিছু অভিজ্ঞতাৰ দেধাৰ দৃষ্টান্ত।

কোনজন ছাত্ৰ কিমান ভাল কিমান বেয়া, শিক্ষকসকলে কিমান ভালকৈ শিক্ষাদান কৰিব পাৰিছে, ছাত্ৰ জনে কিমানখিনি আয়ত্ব কৰিব পাৰিছে সেই হিচাপ নিকাচ পূৰ্ণ ডিচেম্বৰ আজি অংক শূন্য।

আজি আৰু ডিচেম্বৰৰ সেই মাদকতা নাই। সেই হৈ চৈ নাই। পৰীক্ষা শেষ হোৱাৰ অপেক্ষাৰ সেই আনন্দ নাই।

নতুন বছৰ আগমনৰ যি অধীৰ আগ্ৰহেৰে সময় গণি গণি পাৰ কৰা আৰু লগৰবোৰৰ হৈতে আলোচনা কৰা সেই আলোচনাও নাই। বৰ্তমানৰ ডিচেম্বৰৰ মাথোঁ বছৰৰ অন্তিমটো মাহ যি চকুৰ পলকতে শেষ হৈ আকৌ বছৰৰ শেষত লিখা সংখ্যা এটাহে মাত্ৰ সলনি হয় ইয়াৰ বাদে আন একো সলনি নহয়, যুক্তও নহয়।

সময়ৰ লগে লগে মন কঠোৰ হ'ল, শিশুমন আঁতৰি পৈণত ৰূপ লৈ সংসাৰৰ কৰ্মব্যস্ততাত ব্যস্ত হৈ পৰিল সকলো। সমাজৰ কঠোৰ নীতিৰ ৰোষত পৰি যেন সময়ো কঠিনতাৰ ৰূপ গ্ৰহণ কৰিছে।

নাই ডিচেম্বৰৰ সেই আগৰ মাদকতা নাই। তাতে আকৌ অসমৰ শিক্ষা ব্যৱস্থাৰ (একাডেমীক কেলেণ্ডাৰ) সলনি হোৱাৰ পিছৰ পৰা এই মাদকতা যেন চিৰতৰে কালৰ বুকুৰ লীন যোৱাৰ সম্পূৰ্ণ প্ৰস্তুতি লৈছে।

আজিৰ সময়ৰ উঠি অহা প্ৰজন্মই কেতিয়াও ডিচেম্বৰৰ সেই সুকীয়া মাদকতাৰ উমান নাপায়।

'কৰুনা' নামৰ বিশ্বাতংকৰ সময়ৰ পিছৰ পৰা যেনেকৈ সময় দ্ৰুত পাৰ হৈ গৈ আছে তাতে আৰু সময়ৰ মূল্য বাঢ়ি যোৱাৰ যুগত সময়ৰ বৈ যোৱা সুকীয়া অনন্দবোৰ তেনেই অসাৰ যেন লাগে।

সময়ৰ লগত নিজৰ শিশুমনক হেৰাই যাব দিব নালাগে কাৰণ বৰ্তমানৰ এই অমানৱীয় সমাজত শিশুমনৰ স্বভাৱেই আমাক যিমান কঠিন পৰিস্থিতিৰ পৰা আঁতৰাই ৰখাত সহায় কৰিব পাৰে।

# নগাঁৱৰ ধিঙত ত্ৰিপল মাৰ্ডাৰ

আক্ৰমণ কৰে । পত্নী তাজমিনা খাতুন আৰু দুই সন্তান টোপনিত থকা অৱস্থাতে এই আক্ৰমণৰ সন্মুখীন হয়। যাৰ ফলত তেওঁলোকৰ মৃত্যু হয়। মাজনিশা ঘাতক এমদাদুলে কৰা আস্ফালনত প্ৰতিৱেশী সাৰ পাই লৰালৰিকৈ ঘটনাস্থলীলৈ আহে। মুহূৰ্ততে সেই স্থানত প্ৰায় ডেৰশ লোক আহি উপস্থিত হয়। প্ৰতিৱেশী আৰু স্থানীয় ৰাইজক দেখি ঘাতক এমদাদুলে পলায়নৰ চেষ্টা কৰে যদিও স্থানীয় লোকে তেওঁক কৰায়ত্ত কৰি নিশা দুই মান বজাত এজোপা গছত ৰছীৰে বান্ধিথয়। প্ৰতিৱেশীয়ে প্ৰকাশ কৰা অনুসৰি, ঘাতক এমদাদুলে হত্যাকাণ্ড সংঘটিত কৰি আস্ফালন কৰাৰ লগতে কুঠাৰেৰে ঘৰৰ দুৱাৰ, গ্ৰীলৰ দৰ্জা আদিত ঘপিয়াই তাণ্ডৱ চলায়। ঘাতকে তেওঁৰ আক্ৰমণত ইতিমধ্যেই মৃত্যু হোৱা পত্নী আৰু দুই কন্যাৰ মুখকেইখন অন্তিমবাৰলৈ চাবলৈ ইচ্ছা প্ৰকাশ কৰে। ইফালে ঘটনাৰ খবৰ পোৱাৰ লগে লগে ধিং আৰক্ষী থানাৰ এটা দল ঘটনাস্থলীত উপস্থিত হয় আৰু তদন্ত আৰম্ভ কৰে। নিশা ২ বজামানত সংঘটিত এই হত্যাকাণ্ডই এতিয়া জোকাৰি গৈছে সমগ্ৰ ধিং অঞ্চল। ইফালে ঘটনা সংঘটিত কৰাৰ পিছত ৰাইজে হত্যাকাৰী এমদাদুলক আটক কৰি ৰছীৰে বান্ধি থয়। পাছত ধিং আৰক্ষীয়ে এমদাদুল ইছলামক গ্ৰেপ্তাৰ কৰে । তেওঁক জেৰা কৰি প্ৰাথমিক স্বীকাৰোক্তি লাভ কৰা হৈছে বুলি জানিব পৰা গৈছে। নিশাই স্থানীয় লোকে এই লোমহৰ্ষক হত্যাকাণ্ডৰ সন্দৰ্ভত স্থানীয় শ'লগুৰি পৰা চকীৰ আৰক্ষীক খবৰ দিয়ে। লগতে ডুমডুমীয়া আৰক্ষী চকী আৰু ধিং আৰক্ষী থানাতো খবৰ দিয়ে স্থানীয় লোকে। পিছত ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ ইতিমধ্যে স্থানীয় ৰাইজে আটক কৰি থোৱা ঘাতক এমদাদুলক চমজি লৈ গ্ৰেপ্তাৰ কৰে। ঘটনাস্থলীত ধিং আৰক্ষী থানাৰ আৰক্ষী উপস্থিত হৈ হত্যাকাণ্ডটোৰ সন্দৰ্ভত তদন্ত আৰম্ভ কৰিছে। আৰক্ষীয়ে ঘাতকে হত্যাকাণ্ডত ব্যৱহাৰ কৰা তেজলগা কুঠাৰখনো জব্দ কৰে। লগতে তিনিওটা মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও মেডিকেল কলেজ হাস্পতাললৈ প্ৰেৰণ কৰে।

# মাজুলী মহাবিদ্যালয়ত যতীন্দ্ৰ কুমাৰ

ভাষণত অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াই কয়-"যতীন্দ্ৰ কুমাৰ বৰগোহাঞি আছিল এগৰাকী সঁচা মানৱতাবাদী। পাণ্ডিত্য আৰু আপোচবিহীন মনোৰথ আছিল তেওঁৰ ভূষণ। দৰিদ্ৰ জনতাৰ পক্ষত অৱস্থান কৰিবৰ নিমিত্তেই তেওঁ মহাবিদ্যালয়ৰ অধ্যাপকৰ দৰে লোভনীয় চাকৰি ইস্তফা দি জনসাধাৰণৰ মাজলৈ গুচি গৈছিল।" অধ্যক্ষজনে বৰগোহাঞিৰ ব্যক্তিগত পুথিভঁৰালৰ সমুদায় গ্ৰন্থ সংগ্ৰহ কৰি মহাবিদ্যালয় পৰিয়াল ধন্য হোৱা বুলি উল্লেখ কৰাৰ লগতে এই মহান দানৰ বাবে মাজুলীবাসী চিৰদিন দাতা-পৰিয়ালবৰ্গৰ ওচৰত কৃতজ্ঞ হৈ থাকিব বুলিও কয়। সভাত উপস্থিত থাকি মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, অভ্যন্তৰীণ মান নিশ্চিকৰণ কোষৰ সমন্বয়ক বসন্ত বৰা, শিক্ষক গোটৰ সভাপতি ডঃ ব্ৰজেন চন্দ্ৰ নেওগ, সম্পাদক ডঃ অনুপ কুমাৰ দলে, প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সম্পাদক তুলসী ৰাজখোৱা, ঢকুৱাখনা মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ উপাধ্যক্ষ চিত্ৰ কুমাৰ কোচ, সেই মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক নিৰঞ্জন দাস, মাজুলী জিলা সাংবাদিক সন্থাৰ সভাপতি দিবাকৰ শইকীয়া, কমলাবাৰীৰ ৰূপৰেখা চিত্ৰকলা বিদ্যালয়ৰ অধ্যক্ষ দীপু বৰা আদি বিশিষ্ট ব্যক্তিসকলে প্ৰয়াত শিক্ষাবিদজনৰ মহানুভৱতাক স্মৰণ কৰে। সভাত অধ্যাপক ডঃ ৰাজেন চন্দ্ৰ বৰা, ইন্দিৰা বড়া, সুৰেন চন্দ্ৰ দাস, ডঃ দুলাল হাজৰিকা, কাৰ্তিক নাথ, ডঃ দেৱজ্যোতি ভট্টাচাৰ্য, ডঃ বিশাল ভুঞা, সুদৰ্শনা ফুকন, মাজুলী জিলা অসম যুৱ ছাত্ৰ পৰিষদৰ উপ-সভাপতি পবিত্ৰ বৰা, কমলাবাৰীৰ ব্যৱসায়ী-সমাজ সেৱক মনোহৰ ব্যাস, কাৰ্যালয়ৰ জ্যেষ্ঠ সহায়ক পদ্মধৰ বৰুৱা, কাৰ্যালয় সহায়ক দেৱজিৎ বৰুৱা প্ৰমুখ্যে শতাধিক শিক্ষাৰ্থী উপস্থিত থাকে। উল্লেখ্য, বিশিষ্ট অৰ্থনীতিবিদজনৰ বিয়োগৰ পাছত তেওঁৰ ব্যক্তিগত পুথিভঁৰালৰ ছহেজাৰৰো অধিক গ্ৰন্থ তেওঁৰ পত্নী, বিশিষ্ট লেখিকা হৰপ্ৰিয়া বাৰুকিয়াল বৰগোহাঞি আৰু পৰিয়ালবৰ্গই মাজুলীৰ দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীসকলৰ উপকাৰত অহাকৈ মাজুলী মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰলৈ দান কৰি মহানুভৱতাৰ পৰিচয় দিছিল। বৰগোহাঞি পৰিয়ালৰ সেই বদ্যানতাৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি মাজুলী মহাবিদ্যালয়ে গ্ৰন্থাগাৰৰ এটি কক্ষ 'যতীন্দ্ৰ কুমাৰ বৰগোহাঞি স্মৃতি-ষড়ংগ' নামেৰে নামকৰণ কৰি প্ৰতিবছৰে ১৮ ডিচেম্বৰ তাৰিখটো তেওঁৰ স্মৃতি-দিৱস হিচাপে পালন কৰি আহিছে।

# অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ

'লোহিত কিনাৰে', 'লোকপক্ষ আৰু অসমৰ জনজাতি সকলৰ কাহিনী' ইত্যাদি তেখেতৰ গুৰুত্বপূৰ্ণ গ্ৰন্থ। ২০১৮ চনৰ পৰা তেওঁ বিদ্যাৰ্থী পৰিষদৰ সক্ৰিয় কাৰ্যকৰ্তা। ইয়াৰ পূৰেও তেওঁ বিদ্যাৰ্থী পৰিষদৰ বিভিন্ন দায়িত্ব পালন কৰি আহিছে। ২০২৩-২৪ বৰ্ষ, ২৪-২৫ বৰ্ষটো আপুনি অসম প্ৰদেশৰ ৰাজ্যিক সভানেত্ৰীৰ দায়িত্ব পালন কৰিছে। আনহাতে মানস প্ৰতীম কলিতা মূলতঃ কামৰূপ গ্ৰাম্য জিলাৰ আৰু বৰ্তমান গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা গণসংযোগ আৰু সাংবাদিকতা বিভাগত স্নাতকোত্তৰ অধ্যয়ন কৰি আছে। মানস প্ৰতীম কলিতা ২০১৯ চনৰ পৰা অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ সৈতে সক্ৰিয়ভাৱে জড়িত হৈ আছে, ইয়াৰ পূৰ্বে তেওঁ বালিসত্ৰ আৰু ৰঙিয়া শাখাৰ যুটীয়া সম্পাদক, ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য, ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ নিৰ্বাচনত সাধাৰণ সম্পাদকৰ দায়িত্ব পালন কৰি আহিছে। তেওঁ ২০২৪-২৫ বৰ্ষৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয় স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ নিৰ্বাচনত অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ড° ৰীতামণি বৈশ্য আৰু মানস প্ৰতীম কলিতাৰ নিৰ্বাচনৰ খবৰ পোৱাৰ লগে লগে বিদ্যাৰ্থী পৰিষদৰ কাৰ্যকৰ্তা সকলে গুৱাহাটী বিশ্ববিদ্যালয়ত কৰ্মৰত ড° ৰীতামণি বৈশ্যক অভিনন্দন জনায়। এই উপলক্ষে নৱনিৰ্বাচিত অসম প্ৰদেশৰ ৰাজ্যিক সভাপতি ড° ৰীতামণি বৈশ্যই বিদ্যাৰ্থী পৰিষদৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰি কয় যে বিদ্যাৰ্থী পৰিষদে মোৰ ওপৰত যি আস্থা ৰাখিছে, সেই আস্থা মই পূৰণ কৰিবলৈ যত্ন কৰিম। আনহাতে নৱনিৰ্বাচিত ৰাজ্যিক সম্পাদক মানস প্ৰতীম কলিতাই বিদ্যাৰ্থী পৰিষদ অসম প্ৰদেশৰ ৰাজ্যিক সম্পাদকৰ দায়িত্ব লাভ কৰাত সকলোৰে প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰি কয় যে 'ৰাজ্যিক সম্পাদকৰ দৰে দায়িত্ব লাভ কৰাটো অতিকৈ সন্মানৰ বিষয়। সংগঠনে মোক দিয়া দায়িত্ব আন্তৰিকতাৰে পালন কৰিবলৈ চেষ্টা কৰিম আৰু সকলোৰে সহযোগত অসমৰ বিদ্যাৰ্থী সমাজৰ সমস্যা সমাধানৰ হকে কাম কৰিম।' এই উপলক্ষে এবিভিপিৰ বিদায়ী ৰাজ্যিক সম্পাদক হেৰম্ব মহন, গুৱাহাটী বিশ্ববিদ্যালয় ছাত্ৰ একতা সভাৰ সভাপতি গুঞ্জন ডেকা, এবিভিপি গুৱাহাটী বিশ্ববিদ্যালয় গোটৰ কাৰ্যকৰ্তা সকলে তেওঁলোকক অভিনন্দন জ্ঞাপন কৰে।

# বাংলাদেশত হিন্দু যুৱকক

জনোৱা মতে, বৃহস্পতিবাৰে নিশা প্ৰায় ৯ বজাত এদল লোকে দিপু চন্দ্ৰ দাসে ধৰ্মীয় অনুভূতিত আঘাত হনাৰ অভিযোগ তুলি তেওঁক আটক কৰে। ইয়াৰ পিছতে একাংশ উত্তেজিত লোকে তেওঁক নিৰ্মমভাৱে প্ৰহাৰ কৰিবলৈ আৰম্ভ কৰে। উন্মত্ত জনতাই কেৱল প্ৰহাৰ কৰিয়েই ক্ষান্ত নাথাকি, দিপুক এডাল গছত বান্ধি তেওঁক জুই লগাই দিয়ে। ঘটনাৰ খবৰ পোৱাৰ লগে লগে ভলুকা থানাৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণলৈ আনে। আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে ময়মনসিংহ মেডিকেল কলেজ হাস্পতালৰ মৰ্গলৈ প্ৰেৰণ কৰিছে। আৰক্ষীয়ে জনাইছে যে, তেওঁলোকে নিহত যুৱকজনৰ আত্মীয়ৰ সন্ধান কৰিছে। পৰিয়ালৰ লোকে গোচৰ ৰুজু কৰিলে আইনগত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি আৰক্ষীয়ে আশ্বাস দিছে। বাংলাদেশৰ অন্তৰ্বৰ্তীকালীন চৰকাৰখনৰ তৰফৰ পৰা শুকুৰবাৰে জাৰি কৰা এটা বিবৃতিত এই ঘটনাক নিন্দা কৰা হয় আৰু লগতে কোৱা হয় যে বাংলাদেশত এনেধৰণৰ হিংসাত্মক কাৰ্যৰ কোনো ঠাই নাই। এই হিংসাত্মক অপৰাধক বিয়পিবলৈ দিয়া নহ'ব।

# প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ

বিদেশী ৰাষ্ট্ৰৰ পৰা প্ৰধানমন্ত্ৰী মোদীয়ে লাভ কৰা সৰ্বোচ্চ সন্মানসমূহৰ ভিতৰত এই শেহতীয়া সংযোজনটো ২৮সংখ্যক সন্মান। ইতিমধ্যে প্ৰধানমন্ত্ৰী মোদীক ইথিঅ'পিয়াৰ বিশেষ সন্মান নিছান অৱ ইথিঅ'পিয়া আৰু কুৱেটৰ অৰ্ডাৰ অৱ মুবাৰক অল-কাবিৰ সন্মান প্ৰদান কৰা হৈছে। বিশ্বৰ আৰ্থ-ৰাজনৈতিক প্ৰেক্ষাপটত ভাৰতৰ শেহতীয়া নেতৃত্বকাৰী ভূমিকাৰ বাবে প্ৰধানমন্ত্ৰী মোদীৰ অৱদানক এনেদৰে স্বীকৃতি দিছে বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰই। উল্লেখযোগ্য যে, ওমান ভ্ৰমণৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এই সময়ছোৱাতে দুয়োখন দেশৰ কূটনৈতিক সম্পৰ্কই ৭০ বছৰ সম্পূৰ্ণ কৰিছে। ভাৰত আৰু ওমানৰ মাজৰ ঘনিষ্ঠ সম্পৰ্ক আৰু দুয়ো দেশৰ জনসাধাৰণৰ নামত প্ৰধানমন্ত্ৰীয়ে এই সন্মান উৎসৰ্গা কৰা বুলি প্ৰকাশ কৰে। ইয়াৰ পূৰ্বে দুয়োখন দেশে অৰ্থনৈতিক সম্পৰ্কৰ ক্ষেত্ৰত মাইলৰ খুঁটি স্থাপন কৰা সংহত অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তিত স্বাক্ষৰ কৰে। এই চুক্তিত কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীযূষ গোবেল আৰু ওমানৰ বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী কুৰেছ আল ইউছুফে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ওমানৰ চুলতান হেইথম বিন তাৰিকৰ উপস্থিতিত স্বাক্ষৰ কৰে।

# অখিল গগৈৰ বিৰুদ্ধে

তদন্ত, অভিযোগনামা সন্দৰ্ভত অপব্যাখ্যাও আগবঢ়াইছিল। বিধায়ক গগৈৰ এই কাণ্ডৰ বিৰুদ্ধে এছআইটিৰ মুখ্য তদন্তকাৰী বিষয়া ড° ৰ'জী কলিতাই অপৰাধ শাখাত এখন এজাহাৰ দাখিল কৰিছে। ভাৰতীয় ন্যায় সংহিতাৰ ২৩৬/২৩৮/২৪০/২২১/৩৫৩নং ধাৰাৰ অধীনত ১৩/২৫ নম্বৰত অপৰাধ শাখাই গোচৰটো ৰুজু কৰিছে। অভিযোগ অনুসৰি প্ৰত্যায়িত প্ৰতিলিপি নোহোৱাকৈ বিধায়ক গগৈয়ে অভিযোগনামাখন সামাজিক মাধ্যমত প্ৰচাৰ কৰাৰ লগতে আচামীক অভিযুক্ত কৰাৰ সলনি ৰক্ষণাবেক্ষণ দিয়াৰ চেষ্টা চলাইছিল বুলি বিশেষ সূত্ৰৰ পৰা জানিব পৰা গৈছে। মিছা তথ্যৰে অভিযোগনামাখন সন্দৰ্ভত বিধায়ক গগৈয়ে অপপ্ৰচাৰ আৰু অপব্যাখ্যা চলোৱা বুলি অনুভৱ কৰিয়েই অভিযোগ অপৰাধ শাখাত দাখিল কৰা হৈছে।

# ৰিতম পুথিভঁৰালত

ডাঙৰীয়া। ইয়াৰ উপৰি সাংবাদিক গোষ্ঠীৰ সভাপতি দিলীপ মেধি, থাৰ্ড আই কো অপাৰেটৰ মুনিন্দ্ৰ মেধি লগতে জুবিন অনুৰাগী ই ৰিক্সা চালক পৰাগ কলিতাৰ হাতেৰে "জুবিনৰ গাৰ্গৰ কথাৰে" নামৰ গ্ৰন্থখন উন্মোচন কৰে। ই ৰিক্সা চালক জুবিন গাৰ্গৰ অনুৰাগী পৰাগ কলিতাই জুবিন গাৰ্গৰ সানিধ্য লাভ কৰাৰ লগতে জীৱিত কালত জুবিন গাৰ্গে বহুত সহায় কৰা বুলি আমাক জানিবলৈ দিয়ে। জুবিন গাৰ্গৰ মৃত্যুৰ খবৰে পৰাগক অত্যন্ত ব্যথিত কৰিছিল। খোজকাঢ়ি জুবিন গাৰ্গৰ সমাধি ক্ষেত্ৰতো গৈছিল। আৰ্থিক ভাবে অকণমান সবল হোৱাৰ কাৰণে ই ৰিক্সাখনো তাক জুবিন গাৰ্গে কিনি দিছিল। সেই মানৰ দৰদী ব্যক্তি গৰাকী আমাৰ মাজত নাই কিন্তু তেখেতৰ গুণ গৰিমা সকলোৰে হৃদয়ত ঠাই পাব বুলি ভাষণ প্ৰসঙ্গত উল্লেখ কৰে- কালিৰাম কাৰিকৰ হাইস্কুলৰ প্ৰধান শিক্ষক দিবাকৰ কলিতা, কবি মলিন কলিতা, শিক্ষয়িত্ৰী কুমাৰী কামদা বৈশ্য, বিশিষ্ট বক্তা গণেশ দাস হাইস্কুলৰ প্ৰাক্তন প্ৰধান শিক্ষক যোগেন্দ্ৰ ভৰালী ডাঙৰীয়া আদি কৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তিসকলে। অনুষ্ঠানটোৰ আঁত ধৰে সাংবাদিক হৰিপ্ৰসাদ দাসে।

# বাজপেয়ী ভৱনত দলৰ

তাছাকে ধৰি কেইবাজনো জ্যেষ্ঠ নেতা। এই বৈঠকতে প্ৰধানমন্ত্ৰীয়ে নিৰ্বাচনৰ প্ৰাক্‌ক্ষণত তৃণমূল পৰ্যায়ত জিলা সভাপতি আৰু জিলা প্ৰভাৰীসকলৰ কৰ্তব্য-দায়িত্ব সম্পৰ্কে বিভিন্ন পৰামৰ্শ প্ৰদান কৰে। দলৰ কেইবাগৰাকীও মন্ত্ৰী, সাংসদ তথা জ্যেষ্ঠ নেতাকে ধৰি প্ৰধানমন্ত্ৰী মোদীৰ বৈঠকত উপস্থিত থাকিল প্ৰায় ২৭০গৰাকী ৰাজ্যিক বিজেপিৰ দলীয় কাৰ্যকৰ্তা। এই বৈঠকত দলৰ সাংগঠনিক দিশ সন্দৰ্ভতো ৰাজ্যিক বিজেপিৰ তৰফৰ পৰা প্ৰধানমন্ত্ৰীৰ ওচৰত বিস্তৃত ব্যাখ্যা কৰা হয়। প্ৰায় এঘণ্টা সময় বাজপেয়ী ভৱনত অতিবাহিত কৰাৰ পাছত প্ৰধানমন্ত্ৰীগৰাকীয়ে কইনাধৰাস্থিত ৰাজ্যিক অতিথিশালালৈ যাত্ৰা কৰে।

# কামপুৰত ৰাজধানী

নোহোৱা হ'লে এনেকুৱা কৰুণ ঘটনা হয়তো সংঘটিত নহ'লহেঁতেন। ইপিনে, ঘটনাৰ খবৰ পাই লগে লগে ৰে'ল বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু বন বিভাগৰ বিষয়া-কৰ্মচাৰী ঘটনাস্থলীত, উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। বন বিভাগৰ লগতে ৰে'ল বিভাগে পথটো মুকলি কৰাৰ বাবে তৎপৰতাৰে কাম চলাই বিয়লি ভাগলৈ ৰে'ল চলাচল সুচল কৰে। ইপিনে উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ জনসম্পৰ্কৰক্ষী বিষয়াই দুৰ্ঘটনা সংঘটিত হোৱা স্থান হস্তী কৰিড'ৰ বুলি স্বীকাৰ কৰে। তেওঁ কয় যে ভৱিষ্যতে এনেধৰণৰ ঘটনাৰ পুনৰাবৃত্তি নহয়, তাৰ ব্যৱস্থা ৰে'ল বিভাগে কৰিব। এই কৰুণ আৰু শোকাবহ ঘটনাৰ তদন্ত হ'ব। কাৰ গাফিলতিৰ বাবে এই ঘটনা সংঘটিত হ'ল সেয়া তদন্তত পোহৰলৈ আহিব বুলি উল্লেখ কৰি তেওঁ এই সন্দৰ্ভত চৰকাৰে ব্যৱস্থা ল'ব বুলি মন্তব্য কৰে। আনহাতে ৰাজধানী এক্সপ্ৰেছৰ খুন্দাত ৭টা বন্যহস্তীৰ মৃত্যু হোৱাৰ ঘটনা সন্দৰ্ভত বন বিভাগক তদন্তৰ নিৰ্দেশ দিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। সামাজিক মাধ্যমযোগে তেওঁ কয় যে পুৱতিনিশা সংঘটিত এক দুখজনক ৰে'ল দুৰ্ঘটনাত সাতটা হাতীৰ মৃত্যু হোৱাত আমি গভীৰভাৱে শোকাহত হৈছোঁ। এই ঘটনাৰ সম্পূৰ্ণ তদন্ত কৰিবলৈ আৰু বিশেষকৈ ঘন কুঁৱলীৰ বাবে দুৰ্ঘলৈ মনিব নোৱাৰা সময়ত আমাৰ বন্যপ্ৰাণী চলাচল কৰা পথসমূহ অধিক সুৰক্ষিত কৰাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ মই বন বিভাগক নিৰ্দেশনা প্ৰদান কৰিছোঁ।

# বৰঝাৰৰ পৰা বাজপেয়ী

পৰে। পথৰ দুয়োকাষে সমৱেত জনতাক হাত জোকাৰি জোকাৰি প্ৰধানমন্ত্ৰীয়ে সম্বৰ্ধনা জনায়। বিমানবন্দৰৰ পৰা প্ৰধানমন্ত্ৰীৰ বাহনত একেলগে অহা পৰিলক্ষিত হ'ল মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাকো। উল্লেখ্য যে বিধানসভা নিৰ্বাচনৰ প্ৰাক্‌ক্ষণত প্ৰধানমন্ত্ৰীৰ এই আগমনক লৈ উৎসাহিত হৈ পৰিছে ৰাজ্যিক বিজেপিৰ কাৰ্যকৰ্তাসকল। লক্ষণীয়ভাৱে প্ৰধানমন্ত্ৰী মোদীয়েও ৰাজ্যৰ জনগোষ্ঠীয় শিল্পীসকলে প্ৰদৰ্শন কৰা নৃত্য-গীত ক্ষন্তেকৰ বাবে উপভোগ কৰিবলৈ যথেষ্ট ধীৰ গতিৰে পথছোৱা পাৰ হয়।

# টি-২০ বিশ্বকাপৰ

উইকেটকীপাৰ জীতেশ শৰ্মা। ইপিনে সুদীৰ্ঘ এবছৰৰ পাছত ভাৰতীয় দললৈ প্ৰত্যাৱৰ্তন কৰিছে ঈশান কিষাণে। সদ্যসমাপ্ত মুস্তাক আলী টি-২০ ক্ৰিকেটত দাঙি ধৰা দুৰ্দান্ত প্ৰদৰ্শনৰ বাবেই ঈশানক বিশ্বকাপ দলটোত অন্তৰ্ভুক্ত কৰা হৈছে। আনহাতে, কিছুদিন বিৰতিৰ মূৰত পুনৰ ভাৰতীয় দললৈ প্ৰত্যাৱৰ্তন কৰিলে ৰিংকু সিঙে। অহা বৰ্ষৰ ৭ ফেব্ৰুৱাৰীৰ পৰা ভাৰত আৰু শ্ৰীলংকাত যুটীয়াভাৱে অনুষ্ঠিত হ'বলগীয়া আইচিচিৰ সন্মানীয় প্ৰতিযোগিতাখনৰ বাবে ঘোষিত ভাৰতীয় ১৫ জনীয়া দলটোত ৰিংকুক অন্তৰ্ভুক্ত কৰাৰ সিদ্ধান্তগ্ৰহণ কৰে নিৰ্বাচক মণ্ডলীয়ে। ইপিনে টি-২০ বিশ্বকাপৰ বাবে ঘোষিত দলটোৰেই অহা মাহত নিউজিলেণ্ডৰ বিপক্ষে গৃহভূমিত খেলিবলগীয়া পাঁচখনীয়া টি-২০ মেচৰ শৃংখলাটোত ভাগ ল'ব। টি-২০ বিশ্বকাপ আৰু নিউজিলেণ্ডৰ বিপক্ষে খেলিবলগীয়া পাঁচখনীয়া টি-২০ মেচৰ শৃংখলাটোৰ বাবে ঘোষিত ভাৰতীয় দলটো হ'ল-সূৰ্যকুমাৰ যাদৱ, অভিষেক শৰ্মা, তিলক বাৰ্মা, হাৰ্দিক পাণ্ড্যিা, শিৱম ডুবে, অক্ষৰ পেটেল, কুলদীপ যাদৱ, যশপ্ৰীত বুমৰাহ, অৰ্শদীপ সিং, হৰ্ষিত ৰাণা, সঞ্জু ছেমছন, ৱাশিংটন সুন্দৰ, বৰুণ চক্ৰৱৰ্তী, ঈশান কিষাণ আৰু ৰিংকুসিং।

# দৃষ্টিহীন ক্ৰিকেটাৰ

বনাঞ্চল (পিআৰএফ) হিচাপে ঘোষণাত অনুমোদন জনায়। কেবিনেটে অসমৰ নিৰাপত্তা আন্তঃগাঁথনি বৃদ্ধিৰ বাবে কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী (চিআৰপিএফ) ক এটা গ্ৰুপ চেণ্টাৰ স্থাপনৰ বাবে ধেমাজিৰ ৬০৭ বিঘা ভূমি হস্তান্তৰত অনুমোদন জনায়। ৰাজ্যিক স্ব-অধিকাৰ উন্নয়ন পুঁজি গ্ৰামীণৰ অধীনত ২০২৫-২৬ বিত্তীয় বৰ্ষত ২৫০ কোটি টকা বিটিচিলৈ মুকলি কৰি দিয়াৰ বাবে কেবিনেটে অনুমোদন জনায়।

# নতুন টাৰ্মিনেল ভৱনৰ সমীপত

কৰাৰ লগতে লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ নতুন টাৰ্মিনেলৰ শুভ উদ্বোধন কৰি অসমক যোগাযোগৰ অত্যাধুনিক আন্তঃগাঁথনিৰ দিশত আৰু এখোজ আগুৱাই লৈ গ'ল। যোগাযোগৰ ক্ষেত্ৰত যথাৰ্থতে এক আন্তঃৰাষ্ট্ৰীয় মানৰ আন্তঃগাঁথনি অসমক উপহাৰ দিয়াৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক গভীৰ কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ। প্ৰধানমন্ত্ৰীয়ে শুভ উদ্বোধন কৰা এই নতুন টাৰ্মিনেলটো কেৱল এক আন্তঃগাঁথনিয়েই নহয়, বৰঞ্চ প্ৰধানমন্ত্ৰীগৰাকীৰ সবল নেতৃত্বত ৰাষ্ট্ৰৰ প্ৰাধান্যতাসমূহত যি নিৰ্ণায়ক পৰিৱৰ্তন হৈছে, তাৰো ই এক উজ্জ্বল প্ৰতীক। নতুন টাৰ্মিনেলটোৰ বৈশিষ্ট্য সম্পৰ্কে উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- অত্যাধুনিক প্ৰযুক্তি আৰু সা-সুবিধাৰ সংমিশ্ৰণ ঘটা এই নতুন টাৰ্মিনেলটো বহু দিশৰ পৰা অনন্য। এই টাৰ্মিনেল ভৱনটো অসমৰ বাঁহেৰে, কপৌফুলৰ আৰ্হিৰে নিৰ্মাণ কৰা হৈছে। কাজিৰঙাকে ধৰি আমাৰ ৰাজ্যখনৰ চহকী জৈৱ-বৈচিত্ৰ্যিক প্ৰতিফলিত হোৱাকৈ নিৰ্মিত এই সুন্দৰ টাৰ্মিনেলত অসমৰ সংস্কৃতি আৰু ঐতিহ্যৰো অপূৰ্ব প্ৰতিফলন ঘটিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আশীৰ্বাদত আজি অসমে লাভ কৰা এই টাৰ্মিনেল দেশৰ ভিতৰতে অনন্য সুন্দৰ টাৰ্মিনেলৰূপে পৰিগণিত হৈছে। উল্লেখ্য যে অসমৰ সংস্কৃতি, সমাজ আৰু অৰ্থনীতিৰ অবিচ্ছেদ্য অংগ বাঁহৰ ব্যৱহাৰেৰে নতুন টাৰ্মিনেলটোত ৫৭টা স্তম্ভনিৰ্মাণ কৰা হৈছে। ইয়াৰ বাবে ১৪০ মেট্ৰিকটন বাঁহৰ ব্যৱহাৰ হৈছে। কপৌফুলৰ আৰ্হিৰ বাঁহৰ খুঁটাবোৰে এই টাৰ্মিনেলটোক বহন ক্ষমতাৰ ক্ষেত্ৰত এক সুকীয়া পৰ্যায়লৈ লৈ যোৱাৰ লগতে ৰাজ্যৰ চহকী ঐতিহ্যৰ সৈতে গভীৰভাৱে সংপৃক্ত কৰি তুলিছে। মুখ্যমন্ত্ৰীয়ে তেওঁৰ ভাষণত কয়- নতুন টাৰ্মিনেল মুকলিৰ ফলত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ জৰিয়তে বছৰি ১.৩ কোটি যাত্ৰীয়ে আহ-যাহৰ সুবিধা লাভ কৰিব। ভৱিষ্যতে এই বিমানবন্দৰত অতিৰিক্ত টাৰ্মিনেল নিৰ্মাণৰো ব্যৱস্থা সন্নিবিষ্ট কৰা হ'ব। এই টাৰ্মিনেল ভৱনৰ সমান্তৰালভাৱে ইয়াৰ সমীপতে ৬০ একৰ মাটিত এটা এৰ' হাব নিৰ্মাণ কৰা হ'ব, য'ত হোটেল, সন্মিলন কেন্দ্ৰ আদি বিভিন্ন-সা-সুবিধা সংযোজন কৰা হ'ব। ইয়াৰ উপৰি নিবনুৱা যুৱক-যুৱতীৰ কৰ্মসংস্থাপনৰ বাবে বিমান মেৰামতি, চোৰাচিতা আদিৰ ব্যৱস্থাযুক্ত এম আৰ অ' কেন্দ্ৰ, পাইলট প্ৰশিক্ষণ কেন্দ্ৰ আদি বিভিন্ন ব্যৱস্থা গুৱাহাটী বিমানবন্দৰত উপলব্ধ হ'ব। অহা জানুৱাৰী মাহত পুনৰ অসমলৈ আহি প্ৰধানমন্ত্ৰীয়ে কাজিৰঙাৰ ওপৰত ৩২ কিলোমিটাৰ দৈৰ্ঘ্যৰ এলিভেটেড কৰিড'ৰৰ নিৰ্মাণকাৰ্যৰ শুভাৰম্ভ কৰাৰ লগতে গেলেফু আৰু কোকৰাঝাৰৰ মাজত নতুন ৰে'লপথ নিৰ্মাণৰ কামো আৰম্ভ কৰিব। মুখ্যমন্ত্ৰী ড° শৰ্মাই ব্ৰহ্মপুত্ৰৰ ওপৰত গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী দলঙৰ উদ্বোধন তথা বৰাক উপত্যকাত নতুন ডলু বিমানবন্দৰৰ আধাৰশিলা স্থাপনৰ বাবে অহা ফেব্ৰুৱাৰী মাহত প্ৰধানমন্ত্ৰীক পুনৰ অসমলৈ নিমন্ত্ৰণ কৰাৰ কথাও তেওঁ সদৰী কৰে। অসমৰ বিকাশত নিৰন্তৰ গুৰুত্ব দি অহা আৰু ৰাজ্যৰ সম্ভাৱনাৰ প্ৰতি দৃঢ় বিশ্বাস পোষণ কৰা দেশৰ প্ৰধানমন্ত্ৰীগৰাকীৰ প্ৰতি অসমবাসীৰ হৈ পুনৰ কৃতজ্ঞতা জ্ঞাপন কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অসমৰ ৰাইজে এই সময়ছোৱাত পূৰ্বে কেতিয়াও প্ৰত্যক্ষ নকৰা উন্নয়ন দেখা পাবলৈ সক্ষম হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্ব আৰু অসমৰ প্ৰতি থকা তেওঁৰ অযুত মৰমৰ বাবেই এয়া সম্ভৱ হৈছে। অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈক বৰ্তমানৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু প্ৰাক্তন প্ৰধানমন্ত্ৰী প্ৰয়াত অটল বিহাৰী বাজপেয়ীৰ বাহিৰে আন কোনো প্ৰধানমন্ত্ৰীয়ে প্ৰাপ্য সন্মান প্ৰদৰ্শন কৰা নাছিল। প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত নিত্য-নতুন উদ্যোগ-আন্তঃগাঁথনিৰে এখন নতুন অসম নিৰ্মাণ হৈছে। প্ৰধানমন্ত্ৰীৰ দৃঢ় নেতৃত্বত আজি অসমীয়াই সঁচা অৰ্থতে আকাশ চুবলৈ সক্ষম হৈছে। 'এডভাণ্টেজ আছাম'ত প্ৰধানমন্ত্ৰীৰ অংশগ্ৰহণৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অসমত আজি উদ্যোগীকৰণৰ এক নতুন বাতাৱৰণ আৰম্ভ হৈছে, এটাৰ পিছত এটাকৈ ৰাজ্যখনলৈ নতুন বিনিয়োগ আহিছে। আদানি গ্ৰুপে এই বিমানবন্দৰৰ লগতে সমগ্ৰ ৰাজ্যখনতে এক লাখ কোটি টকা বিনিয়োগৰ সংকল্প লোৱা বুলি সদৰী কৰি তেওঁ তাৰ বাবে আদানি গ্ৰুপকো ধন্যবাদ জ্ঞাপন কৰে। নতুন টাৰ্মিনেল নিৰ্মাণৰ ক্ষেত্ৰত আগবঢ়োৱা সহযোগিতাৰ বাবে কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহণ মন্ত্ৰী কিঞ্জাৰাপু ৰামমোহন নাইডুকো তেওঁ ধন্যবাদ জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে কোৱাৰ দৰেই কিছুদিনৰ পাছত মানুহে 'এ ফৰ এপল'ৰ সলনি 'এ ফৰ আছাম' বুলি ক'বলৈ আৰম্ভ কৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে দৃঢ়তাৰে কয়। উদ্বোধনী অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, কেন্দ্ৰীয় মন্ত্ৰী কিঞ্জাৰাপু ৰামমোহন নাইডু, সৰ্বানন্দ সোণোৱাল, পবিত্ৰ মাৰ্ঘেৰিটা, অসম চৰকাৰৰ মন্ত্ৰী চৰণ বড়ো, সাংসদ দিলীপ শইকীয়া আৰু বিজুলী কলিতা মেধি, বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা, অতুল বৰা, সিদ্ধাৰ্থ ভট্টাচাৰ্য আৰু হেমাংগ ঠাকুৰীয়া, আদানি গ্ৰুপৰ অধ্যক্ষ গৌতম আদানি, ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ পুত্ৰ বলীন বৰদলৈ প্ৰমুখ্যে আন বহুকেইগৰাকী সন্মানীয় অতিথিৰ লগতে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

# প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ অট'প্ছী

ক্ষেত্ৰত এই পৰিমাণ তেজত ৩৩৩ মিলিগ্ৰাম আছিল। গতিকে স্বাভাৱিকতে সম্পূৰ্ণ অচেতন অৱস্থাত শিল্পীগৰাকীয়ে পানীত নামিছিল। এই অৱস্থাত সেই সময়ত শিল্পীগৰাকীয়ে কি কৰিছিল হয়তো তেওঁৰ মগজুৰেও ঢুকি পোৱা নাছিল। এনেদৰেই মাত্ৰাধিক সুৰাপান কৰোৱাই এক প্ৰকাৰ চেতনাহীন কৰি তিলতিলকৈ প্ৰিয় শিল্পীগৰাকীক মৃত্যুৰ মুখলৈ ঠেলি দিছিল শ্যামকানু সিদ্ধাৰ্থহঁতে। যদিওবা ছিংগাপুৰ পুলিচ ফ'ৰ্চ চমুকৈ এছপিএফে শিল্পীগৰাকীৰ মৃতুৰ ক্ষেত্ৰত কোনোধৰণৰ অস্বাভাৱিকতা নাই বুলি প্ৰাথমিক তদন্তত প্ৰকাশ কৰিছে। কিন্তু শিল্পীগৰাকীৰ মৃত্যু যে স্বাভাৱিক কেতিয়াও নাছিল, এক পূৰ্ব পৰিকল্পিত ষড়যন্ত্ৰহে আছিল সেয়া ছিংগাপুৰত সম্পন্ন হোৱা অট'প্ছী ৰিপ'ৰ্টত স্পষ্ট হৈ পৰিছে। তদুপৰি ছিংগাপুৰৰ প্ৰতিবেদনখনত শিল্পীগৰাকীৰ মূৰৰ পিছ ফালে আছিল সামান্য আঘাত। আনহাতে এছআইটিয়ে আদালতত দাখিল কৰা অভিযোগনামাখনতো কেইবাটাও গুৰুত্বপূৰ্ণ তথ্য সম্প্ৰতি পোহৰলৈ আহিছে। এছআইটিয়ে শিল্পীগৰাকীৰ মৃত্যুৰ পিছতে হত্যাকাণ্ডটোৰ মূল অভিযুক্ত সিদ্ধাৰ্থ শৰ্মা আৰু শেখৰজ্যোতি গোস্বামীৰ বাসভৱনত কেইবাবাৰো অভিযান চলাইছিল। উক্ত অভিযানত কেইবাখনো গুৰুত্বপূৰ্ণ নথিপত্ৰ আৰক্ষীয়ে জব্দ কৰিছে। জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ বিলাসী এপাৰ্টমেণ্টত এছআইটিয়ে জব্দ কৰিছিল জুবিন-গৰিমাৰ বিবাহৰ পঞ্জীয়ন-পত্ৰ। অতিকৈ গুৰুত্বপূৰ্ণ এই নথি কি কাৰণত সিদ্ধাৰ্থ শৰ্মাই নিজৰ ঘৰত ৰাখিছিল তাক লৈ হতভম্ব হৈ পৰিছিল স্বয়ং তদন্তকাৰী বিষয়া। ইয়াৰ বাহিৰেও জুবিন গাৰ্গৰ এখন এটিএম, এখন ড্ৰাইভিং লাইচেঞ্চ আৰু লেণ্ড ৰ'ভাৰ গাড়ীখনৰ এপাট চাবিও এছআইটিৰ দলে জব্দ কৰিছিল। কি পৰিস্থিতিত সিদ্ধাৰ্থ শৰ্মাই জুবিন গাৰ্গৰ বেংকৰ এটিএম আৰু ড্ৰাইভিং লাইচেঞ্চৰ লগতে গাড়ীৰ চাবি লগত ৰাখিছিল তাক লৈ চাঞ্চল্যৰ সৃষ্টি হৈছে। এছআইটিয়ে সিদ্ধাৰ্থ শৰ্মাৰ বাসভৱনত চলোৱা তালাচী অভিযানত আন বিভিন্ন নথিৰ লগতে উদ্ধাৰ কৰিছিল ১৪ পৃষ্ঠাৰ ভূমি সংক্ৰান্তীয় এটা ফাইল। উক্ত ফাইলটোত জুবিন-গৰিমাৰ নামত থকা মাটিৰ নথিপত্ৰৰ লগতে আন বহু তথ্য এছআইটিয়ে লাভ কৰিছিল। একেদৰেই শেখৰজ্যোতি গোস্বামীৰ ঘৰৰ পৰাও জুবিন গাৰ্গৰ গাড়ী সম্পৰ্কীয় নথিপত্ৰৰ লগতে ভূমি সংক্ৰান্তীয় কেতবোৰ নথিও এছআইটিয়ে জব্দ কৰিছিল। এই সকলোবোৰ তথ্য অভিযোগনামাখনত এছআইটিয়ে উল্লেখ কৰিছে বুলি বিশেষ সূত্ৰটোৱে জানিবলৈ দিছে।

## ENGLISH NEWS SECTION

# My Bharat National NSS Awardees call on Governor



Guwahati, RB News: My Bharat National NSS Awardees Dr. Bhuban Chandra Chutiya, Shri Priyanuj Hazarika, and Smt. Doli Choudhury paid a courtesy visit to Governor Shri Lakshman Prasad Acharya at Lok Bhavan. It may be noted that the awardees were conferred with the prestigious 'My Bharat National NSS Award 2022–23' by the Hon'ble President of India at a special ceremony held at Rashtrapati Bhavan, New Delhi, on October 6, 2025, in recognition to their exemplary contributions to community service and nation-building through the National Service Scheme (NSS). During the interaction, Governor Shri Acharya congratulated the awardees and lauded their dedication to social service. He said that the commitment and energy of the youth play a pivotal role in shaping an inclusive and progressive society. Appreciating their achievements, the Governor said, "Their work stands as a shining example of service, discipline, and social responsibility, which will inspire many young people to actively contribute to national development".

## Australia Beat England By 82 Runs To Win Third Test



RB News:Australia defeated England by 82 runs in the third Ashes 2025-26 Test in Adelaide to take an unassailable 3-0 lead and retain the Ashes in 11 days of action. Australia have won Ashes at home for the fourth consecutive time. Chasing 435, the visitors were dismissed for 352 runs on day 4 of the match. Mitchell Starc (3 wickets), Pat Cummins (3 wickets) and Nathan Lyon (3 wickets) bowled well for the host nation. Jamie Smith (60), Will Jacks (47) and Brydon Carse (39) tried their best to take their team close but failed in front of the Aussie bowlers.Australia wicketkeeper-batter Alex Carey won Player of the Match award in Adelaide Test for scoring 106 and 72.

## India beat South Africa by 30 runs




RB News: India sealed the five- match T20 I series against South Africa with a convincing 30- run victory in the final game, finishing the series 3-1. After posting a total of 231/5, India set a challenging target that proved too high for the visitors, who ended their innings at 201/8. Chasing a target above 230, South Africa started strongly, building a solid partnership in the early overs. However, the middle phase of their innings saw a dramatic collapse as wickets fell at regular intervals, halting the momentum.

## India to face Pakistan in Under-19 Asia Cup final on Sunday



RB News: India defeated Sri Lanka by eight wickets in the Under-19 Asia Cup 2025 semi-final at the ICC Academy in Dubai on Friday. With this, they reached the Under-19 Asia Cup final for the 10th time. India put up a superb bowling performance to restrict Sri Lanka to 138/8 in a match that was shortened to 20 overs per side due to a five-hour rain delay. India lost the wickets of captain Ayush Mhatre and 14-year-old Vaibhav Suryavanshi early on, but half-centuries by Vihaan Malhotra and Aaron George took them home in the 139-run chase. India and Pakistan will face each other in the final on Sunday.

## Jharkhand win Syed Mushtaq Ali Trophy for first time in history



RB News: Ishan Kishan-led Jharkhand defeated Ankit Kumar-led Haryana by 69 runs in Syed Mushtaq Ali Trophy (SMAT) 2025 final to win the tournament for the first time in history. Jharkhand posted a massive 262/3 - the highest-ever total in a T20 tournament final - before their bowlers clinically dismantled the Haryana chase. After being put in to bat by Haryana captain Ankit Kumar, Jharkhand received an early jolt as Anshul Kamboj removed Virat Singh in the very first over. However, the partnership between Ishan Kishan and Kumar Kushagra redefined the match. They then dismissed Haryana for 193 in 18.3 overs. Kishan slammed a century in the final.

## AFC bans Mohun Bagan from continental competitions till 2027-28



RB News:The Asian Football Confederation (AFC) has banned Mohun Bagan Super Giant from its club competitions until the 2027–28 season and imposed fines totalling $100,729 (about 91 lakh) after the Indian champions refused to travel to Iran for an AFC Champions League Two group-stage match against Sepahan SC. The AFC Disciplinary and Ethics Committee ruled on Wednesday that Mohun Bagan wrongfully withdrew from the 2025–26 AFC Champions League Two, breaching competition regulations once the group stage had already begun.A Mohun Bagan official called the decision "biased".

## Actor Sreenivasan passes away at 69



RB News: Veteran Malayalam film actor, director, screenwriter and producer Sreenivasan passed away in Kochi on Saturday at the age of 69. Sreenivasan was undergoing treatment at his residence in Kerala's Udayamperoor for a long-term illness but was admitted to a hospital after a decline in his health. \Sreenivasan acted in more than 225 films and was widely acclaimed for his sharp satire, humour and socially relevant storytelling, which helped shape modern Malayalam cinema.

অণুগল্প

## উপমা

নীলোৎপল শইকীয়া, নগাঁও

সৰুৱে পৰা দুয়োৰে
বৰ মিল,
ৰাইজৰ দ্বাৰাও "ৰাম-লক্ষ্মণ"
বা "জয়-বিজয়" বুলিহে
অভিহিত....
কালক্ৰমত....
" দে'তা আৰু খুৰা
একেই...",
'কেনেকুৱা',
স্মিত হাঁহিৰে ক'লে
" পেটেলা..."

## কৃপাতৃষ্ণা

যমুনা দুলু বৈশ্য, শুৱালকুছি

আপোনজনৰ বিৰহ বেদনাত
সেই ফুৰফুৰীয়া গোন্ধটো
শীতৰ ৰ'দৰ ভাজত আজিও
দৃশ্যমান ।
সাৰ পাব ঈশ্বৰৰ দৃষ্টিত তোমাৰ
মানস পটত বিশ্বাস ভৰা
প্ৰতিচ্ছবি..!
ভমকাফুলীয়া হাঁহিটো দেখিলে
কণ্ঠ শুকাই যোৱা তাইৰ মৰম
ভালপোৱা বোৰে প্ৰাণটোত
নাচি উঠে ।

# বিলাসিতাৰ দহনত বিয়া

সহি আহিছে, তেওঁলোকে জানে যে সাধাৰণ জীৱন যাপন কৰোঁতেই প্ৰতিমাহে EMI, বিভিন্ন দান-বৰঙণি, আৰু ঘৰুৱা খৰচবোৰে কেনেকৈ শেষৰফালে ধাৰ কৰিবলগীয়া অৱস্থা এতিয়াও সৃষ্টি কৰে। খেৰৰ জুপুৰিৰ পৰা লোন লৈ কোনোমতে পকী ঘৰলৈ অহা এজন ব্যক্তিৰ পক্ষে, বিয়াৰ নামত ইমান হাত উজান দি খৰচ কৰাৰ বাবে সাহস বা কলিজা দুয়োটাই নাথাকে।

আমি পাহৰিব নালাগিব যে আমাৰ মা-দেউতাহঁতৰ দিনৰ অনাড়ম্বৰ বিয়াবোৰো সুন্দৰভাৱে চলিছিল। সেইবোৰ আছিল প্ৰকৃত মিলন আৰু আত্মীয়তাৰ উৎসৱ, য'ত হৃদয়ৰ উষ্মতা আছিল, টকাৰ পয়োভৰ নহয়। সাধ্যৰ বাহিৰত গৈ বিৰাট কিবাকিবি কৰি জীৱনটোৰ কাৰণে নতুনকৈ ধাৰ এসোপাত পোঁত যোৱাটো কোনোমতেই বিচক্ষণতাৰ পৰিচায়ক নহয়। বিয়াৰ সাধাৰণ পৰম্পৰাখিনি পালন কৰি, সাধ্য অনুসৰি সৰলতাৰে আৰু সাংস্কৃতিক সন্ধিয়াৰ আয়োজন নকৰাকৈও এখন বিয়া সফলতাৰে অনুষ্ঠিত কৰিব পাৰি।

এইটো উপলব্ধি কৰাৰ সময় আহিছে যে ব্যক্তিগত স্বাচ্ছন্দ্য, আৰ্থিক নিৰাপত্তা, আৰু ভৱিষ্যতৰ সুৰক্ষা - সাময়িক সামাজিক প্ৰদৰ্শন বা তথাকথিত ট্ৰেণ্ডতকৈ বহু বেছি মূল্যৱান। অভাৱৰ জুয়ে শেশৰ দহা প্ৰতিগৰাকী ব্যক্তিৰেই এয়া এক আন্তৰিক অনুভৱ। আমাৰ সমাজত বিয়াৰ নামত অপব্যয় কৰাৰ এই তথাকথিত ট্ৰেণ্ডটোৰ পৰা আঁতৰি আহি, আমি এক সুস্থিৰ আৰু দায়িত্বশীল উদাহৰণ দাঙি ধৰিব লাগিব, য'ত সুখ আৰু মিলনক, বিলাসিতাই গ্ৰাস কৰিব নোৱাৰে।







ৰঙিলী বাৰ্ত্তা কৰ্তৃক ড° উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-২৫ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড° উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286